ASSAM LEGISLATIVE ASSEMBLY
SECRETARIAT
1986

# Legislative Assembly Debates

## OFFICIAL REPORT

THIRD SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE EIGHTH GENERAL ELECTION UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## AUGUST SESSION

## VOL. III

## NO. 1-8

The 4th August, 1986

सत्यमेव जयते

1990

PRINTED AT GUPTA PRINTERS, GUWAHATI-781006

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1986

## ( AUGUST SESSION )

## VOLUME—III

## NO—1

Dated the 4th August, 1986

Contents | Page


| | | |
|---|---|---|
| 1. | Questions | 1—29 |
| 2. | Adjournment Motion | 30—36 |
| 3. | Announcement from the Chair | 36—37 |
| 4. | Laying of Ordinance, Report etc | 37—38 |
| 5. | Motion for Election | 38—41 |
| 6. | Government Bills | 41—45 |
| 7. | Obituary reference | 45—49 |
| 8. | Adjournment | 49 |

Proceedings of the August Session of the Assam Legislative Assembly assembled after the Eighth General Election under Sovereign Democratic Republican Constitution of India

The House met in the Assembly Chamber, Dispur, Guwahati on Monday, the 4th August, 1986 with the Hon'ble Speaker in the Chair, 19 (Nineteen) Ministers, 13 (Thirteen) Ministers of State and 89 (Eighty nine) Members present.

## STARRED
## QUESTION AND ANSWERS

Date : 4th August, 1986

(To which oral answers were given)

বিঃ ধান কলৰ বাবে অনুজ্ঞা প্রদান

শ্রীদুর্গাদাস বড়োৱে সুধিছে ঃ

* ১। মাননীয় যোগান বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে—

(ক) আগৰ চৰকাৰে সিদ্ধান্ত লৈ ব্যক্তিগত খণ্ডৰ হোলাৰ (চাউল, চিৰা, তেল আদি) মিল নতুনকৈ দিয়াৰ ব্যৱস্থা বন্ধ কৰাটো হয় নেকি ?

(খ) যদি হয় অনতিপলমে ব্যক্তিগত খণ্ডত হোলাৰ মিলৰ অনুজ্ঞাপত্র দিয়াৰ ব্যৱস্থা কৰিব নেকি ?

(গ) যদি ব্যৱস্থা লৈছে জনাব নেকি ?

শ্ৰীবিৰাজ কুমাৰ শৰ্মা (খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

১। (ক)—ব্যক্তিগত মালিকানাত অসমৰ ভৈয়ামৰ জিলাকেইখনত নতুন ধান আৰু চিৰা কলৰ অনুজ্ঞা দিয়া বন্ধ ৰখাটো সঁচা। পাৰ্বত্য জিলা কাৰ্বি আংলং আৰু উত্তৰ কাছাৰ জিলাত ব্যক্তিগত মালিকানাত ধান আৰু চিৰা কলৰ অনুজ্ঞা দি থকা হৈছে।

খাদ্য আৰু অসামৰিক যোগান বিভাগত তেলৰ মিলৰ অনুজ্ঞা দিয়াৰ কোনো ব্যৱস্থা নাই।

(খ)—এই বিষয়ে বৰ্ত্তমানলৈকে কোনো সিদ্ধান্ত লোৱা হোৱা নাই।

(গ)—প্ৰশ্ন নুঠে।

শ্ৰীহেমেন দাস ঃ অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে আগৰ চৰকাৰকে অনুসৰণ কৰি এই চৰকাৰেও ভাল পাই নেকি?

শ্ৰীবিৰাজ কুমাৰ শৰ্মা (মন্ত্ৰী) ঃ অধ্যক্ষ ডাঙৰীয়া, অনুসৰণ কৰা কথাটো সচা নহয়। কাৰণ ধান কলৰ অনুজ্ঞা পত্ৰ দিয়াৰ সিদ্ধান্ত লোৱা নাই। যোৱা চৰকাৰৰ দিনতে ধান কলৰ অনুজ্ঞা পত্ৰ দিয়াটো বন্ধ কৰি থৈছিল। এই সিদ্ধান্ত ১৩।৭।৮৪ চনতে মন্ত্ৰী সভাৰ বৈঠকত লৈছিল। অধ্যক্ষ মহোদয়, যিবিলাক ধান কল যথেষ্ট পুৰণি হৈছে, সেইবিলাকৰ ক্ষেত্ৰত এটা সমিতিয়ে তাৰ গুণাগুণ বিচাৰ কৰিব আৰু সমিতিয়ে প্ৰতিবেদন দাখিল কৰাৰ পিচত তাৰ পৰা মন্ত্ৰী সভাত চূড়ান্ত সিদ্ধান্ত লব।

শ্ৰীহেমেন দাস ঃ অধ্যক্ষ মহোদয়, ১৯৮৪ চনৰ সিদ্ধান্ত মতে কাম চলাই আছে, সেই চৰকাৰক অবৈধ বুলি কৈ এই চৰকাৰেও সেই সিদ্ধান্তকে নিৰ্বিবাদে মানি লৈছে।

শ্ৰীবিৰাজ কুমাৰ শৰ্মা (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, আগৰ চৰকাৰৰ কথা মানি লোৱা নাই। কিন্তু ইয়াৰ প্ৰয়োজন হলে পুণৰ বিবেচনা কৰা হব।

আৰু বিশেষজ্ঞ কমিটিয়ে অনুসন্ধান কৰি প্ৰতিবেদন দাখিল কৰাৰ পিচত আমি মন্ত্ৰী সভাত দাখিল কৰিম আৰু তাৰ পিচতে সিদ্ধান্ত লোৱা হব।

শ্ৰীহেমেন দাস ঃ অধ্যক্ষ মহোদয়, প্ৰশ্নটো আছিল "আগৰ চৰকাৰে সিদ্ধান্ত লৈ ব্যক্তিগত খণ্ডৰ হোলাৰ (চাউল, চিৰা, তেল আদি) মিল নতুনকৈ দিয়াৰ ব্যৱস্থা বন্ধ কৰাটো হয় নেকি ?" ইয়াৰ উত্তৰ যিটো দিলে তাৰ পৰা প্ৰমাণ হয় যে আগৰ মন্ত্ৰী সভাৰ সিদ্ধান্ত সলনি কৰা নাই আৰু মানি লোৱাৰ প্ৰয়োজন নিশ্চই আছে।

শ্ৰীজয়নাথ শৰ্মা ঃ ১৯৮৪ চনৰ মন্ত্ৰী সভাৰ সিদ্ধান্ত আগত ৰাখি ব্যক্তিগত মালিকৰ মিল বন্ধ ৰাখিছিল, ইয়াৰ উদ্দেশ্যটো কি আছিল ?

অসমৰ সৰ্বমুঠ উৎপাদিত ধান খেতিয়ে ৰাজ্যখনত স্থাপিত ধান কল বিলাকৰ কাৰ্য্যক্ষমতাৰ চাহিদা পূৰণ কৰাৰ পিচত আৰু অধিক ধান কলৰ অনুজ্ঞা দিব পৰা যায় নে নেযায় এই বিষয়টো বহুত দিন আগৰ পৰাই চৰকাৰৰ বিবেচনাধীন হৈ আছিল। এই সংক্ৰান্তত এখন বিশেষজ্ঞ সমিতি গঠণ কৰি দিয়া হৈছিল আৰু সমিতিৰ প্ৰতিবেদন পোৱালৈ বাট চাই ১১।৮।৮১ ইং তাৰিখৰ পৰা নতুন ধান, চিৰা কলৰ বাবে কৰা আবেদন পত্ৰ গ্ৰহণ কৰাটো বন্ধ ৰখা হৈছিল। উক্ত সমিতিৰ প্ৰতিবেদন পোৱাৰ পিচত বিষয়টো মন্ত্ৰী সভাৰ বৈঠকত উপস্থাপিত কৰা হৈছিল। ২৪।২।৮৪ ইং তাৰিখৰ মন্ত্ৰী সভাৰ বৈঠকত এই সিদ্ধান্ত লোৱা হৈছিল যে অসমৰ কোনো ঠাইতে ব্যক্তিগত মালিকানাত ধান কলৰ অনুজ্ঞা পত্ৰ দিয়া নহব। মাত্ৰ সমবায় সমিতিৰ নামত ধান কলৰ কাৰ্য্য ক্ষমতাৰ সমতা স্থাপন কৰাৰ অৰ্থে আৰু প্ৰয়োজন সাপেক্ষে কিছুমান মহকুমাত মুঠ ৩০ টা ডাঙৰ আধুনিক ধান কলৰ অনুজ্ঞা দিয়া হব। উক্ত ধান কলৰ কাৰ্য্য ক্ষমতা প্ৰতি আঠ ঘণ্টাত ৪০ ৰ পৰা ৮০ কুইণ্টল ধান হব লাগিব। মহকুমা ভিত্তিত প্ৰস্তাৱিত ধান কল স্থাপনৰ তালিকা এখন 'থ' ত দিয়া হল।

উক্ত সিদ্ধান্তৰ পৰিপ্ৰেক্ষিতত আগতে দিয়া ধান কলৰ অনুজ্ঞাৰ ম্যাদবৃদ্ধি, ধান, চিৰাকলৰ মালিকি স্বত্বৰ পৰিবৰ্ত্তন আৰু নবীকৰণ নোহোৱা অনুজ্ঞা পত্ৰৰ পুনৰ

নবীকৰনৰ অনুজ্ঞা ইত্যাদিও বন্ধ ৰখা হৈছিল । ১৩।৯।৮৪ ইং তাৰিখৰ মন্ত্ৰী সভাৰ বৈঠকত বিষয়টো পুণৰ বিবেচনা কৰি এই সিদ্ধান্ত লোৱা হয় যে যিবিলাক ব্যক্তিয়ে ধান, চিৰা কলৰ অনুজ্ঞা পত্ৰ আগতেই পাইছিল আৰু যথা সময়ত ধানকলৰ সা সৰঞ্জাম বহুৱাব নোৱাৰিলে কিন্তু বেংকৰ ঋণ আদি লৈ মিলৰ সা সৰঞ্জাম বহুৱাৰ ক্ষেত্ৰত কিছু অগ্ৰগতি লাভ কৰিলে তেওঁলোকৰ অনুজ্ঞাৰ ম্যাদ বৃদ্ধিৰ প্ৰাৰ্থনা ব্যক্তিগত গুণাগুণৰ ওপৰত নিৰ্ভৰ কৰি বিবেচনা কৰিব পৰা যাব ।

(ধ্বনি—এইবোৰ পঢ়ি থাকোতেই সময় পাৰ হৈ যাব)

শ্ৰীজয়নাথ শৰ্ম্মা ঃ অধ্যক্ষ মহোদয়, প্ৰতিখন ইলেক্‌ট্ৰিফাইদ গাৱঁত কৃষকৰ সুবিধাৰ কাৰণে ধান কলৰ পাৰ্মিট দিয়াৰ বিবেচনা কৰিবনে ?

মাননীয় অধ্যক্ষ ঃ এইটো বিবেচনা কৰি থকা বুলি কৈছে ।

Re : Allotment of pool Cars

Shri GOLK RAJBANSHI asked :

* 2. Will the Minister, Transport pleased to state—

(a) How many Pool Cars have been provided to the Hon'ble Members of this House during the month of April, May and June, 1986 ?

(b) What procedure Government has followed to allot these cars ?

Shri LALIT CHANDRA RAJKHOWA (Minister, Transport) replied :

| | | |
|---|---|---|
| 2. (a)—April, | 1986 | 20 |
| May, | 1986 | 15 |
| June, | 1986 | 13 |

(b)—Subject to availability of Cars, the allotment is made as

per orders of Government from time to time on payment of hire charge.

শ্ৰীগোলোক ৰাজবংশী ঃ অধ্যক্ষ মহোদয়, পুল কাৰ বিচাৰি আমি কাক এপ্লাই কৰিম আৰু দিনে কিমান টকা দিব লাগিব ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (মন্ত্ৰী) ঃ নিয়ম অনুযায়ী আমাৰ বিধায়ক সকলে চাৰ, পুল কাৰ নাপায়, কিন্তু কেতিয়াবা আৱশ্যক হলে দিনে ২৫ টকাকৈ দি ব্যৱহাৰ কৰিব পাৰে ।

শ্ৰীগোলোক ৰাজবংশী ঃ অধ্যক্ষ মহোদয়, বহুত পুল কাৰত ভি আই পি লাইট আছে, বিধায়কে এই লাইট ব্যৱহাৰ কৰিব পাৰে নে নোৱাৰে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (মন্ত্ৰী) ঃ পুল কাৰত ভি আই পি লাইট থাকে, কিন্তু ব্যৱহাৰ কৰিব নোৱাৰে ।

শ্ৰীগোলোক ৰাজবংশী ঃ বহুত পুল কাৰত ভি আই পি লাইট জ্বলি থাকে ।

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা ঃ যেতিয়া পুল কাৰত মিনিষ্টাৰ থাকে তেতিয়া লাইট জ্বলাবই ।

শ্ৰীজয়নাথ শৰ্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, পুল কাৰ বিলাকত মন্ত্ৰীসকল উঠিব পাৰেনে নোৱাৰে ? আৰু যদি উঠে তেতিয়া ভি, আই, পি লাইট জ্বলেনে নজলে ?

Mr. Speaker : The matter has been elaborately discussed. Next question,

Shri Charan Narzary : No Sir. Some more supplementaries may be considered as this is a very important matter and some more supplementaries may be pertinent. I may be allowed to put the supplementary.

Sir, whether the State Pool cars are at the disposal of the Pool Officer at the moment or all the pool cars are in possession of some Hon'ble Members of the House ? Secondly, if I ask for a pool car today, whether the Hon'ble Minister in charge of Transport will be in a position to provide me with a car ? What is the position ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় সদস্য সকলক কব বিচাৰিছো যে, আমাৰ পুল কাৰ বিলাক পুল অফিচাৰৰ দায়িত্বত থাকে। আৰু যদি প্ৰয়োজন হয় আৰু মজুত থাকে তেতিয়াহলে আমাৰ মাননীয় সদস্য সকলে পুলকাৰ ব্যৱহাৰ কৰিব পাৰে। বৰ্ত্তমান অৱস্থাত কম পুল কাৰ থকাৰ কাৰণে আৰু প্ৰতি দিনে ৫/৬ খন বেয়া হৈ থকাৰ কাৰণে সকলো সদস্যই বিচাৰিলে সময়মতে দিব পৰা হোৱা নাই।

Shri Charan Narzari : Will the Minister in charge of Transport say how many pool cars are by now in possession of different Hon'ble Members ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (মন্ত্ৰী) ঃ এতিয়া ১৩২ খন আছে।

Shri Altaf Hussain Mazumdar : Sir, will the Hon'ble Minister kindly say whether the Pool cars are given for a few days or the Hon'ble Members continue with pool cars for months after months ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, অস্থায়ী ভাৱে দিয়া হয়, মাহৰ পিচত মাহ দিয়া নহয়।

শ্ৰীজয়নাথ শৰ্মা ঃ অধ্যক্ষ মহোদয়, যোৱা বিধান সভাত পুল কাৰ ব্যৱহাৰ কৰাৰ কাৰণে পুৰ্ব্বৰ বিধায়ক সকলে আৰু অন্যান্য বিষয়া সকলে দিবলগীয়া পইচা দিলেনে নাই ? মন্ত্ৰী মহোদয়ে কৈছিল আগৰ সদস্য সকলে দিবলগা টকা ৫০ হাজাৰ বাকী আছে। সেই টকা ৰিকভাৰ কৰাৰ কাৰণে মন্ত্ৰী মহোদয়ে কি ব্যৱস্থা লৈছে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (মন্ত্ৰী) ঃ এই সম্পৰ্কে ব্যৱস্থা লোৱা হৈছে। কিন্তু এতিয়া মোৰ হাতত তথ্য নাই।

শ্ৰীজয়নাথ শৰ্মা ঃ এই ৫০ হাজাৰ টকা আদায় কৰাৰ বাবে যোৱা অধিবেশনতে কৈছিল আৰু এতিয়া মন্ত্ৰী মহোদয়ে কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, টকা উঠোৱাৰ বাবে ব্যৱস্থা লোৱা হৈছে ।

শ্ৰীহেমেন দাস ঃ অধ্যক্ষ মহোদয়, মাননীয় জয়নাথ শৰ্মা দেৱে যিটো প্ৰশ্ন আনিছে, তাত মই একমত । আগৰ বিধায়ক সকলৰ পৰা টকা পাবলৈ বাকী আছে হয় কিন্তু আমাৰ এতিয়াৰ বিধায়ক সকলৰ পৰা কিমান টকা আদায় কৰা হৈছে ।

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, ইয়াৰ ব্যৱস্থা লোৱা হৈছে ।

বি ঃ অচল হৈ থকা যাত্ৰীবাহী বাছ

শ্ৰীদীনবন্ধু চৌধুৰীয়ে সুধিছে ঃ

*৩। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসম ৰাজ্যিক পৰিবহন নিগমৰ অধীনত এতিয়ালৈ অচল হৈ থকা যাত্ৰীবাহী বাছ, ট্ৰাক, কাৰ আৰু অন্যান্য গাড়ী আছেনে ? আৰু যদি আছে, প্ৰত্যেক বিধৰ সংখ্যা কিমান ?

(খ) উক্ত প্ৰত্যেক বিধ গাড়ীৰ কিনা দাম (মুঠ) কিমান আছিল আৰু এতিয়া বিক্ৰী দাম (মুঠ) কিমান হব ?

(গ) বিভিন্ন গাড়ীৰ পুৰণি পাৰ্টচ উক্ত নিগমৰ গুদামত বা গেৰেজত আছেনে ?

(ঘ) যদি আছে, তেনেকৈ এতিয়ালৈ পৰি থকা পুৰণি পাৰ্টচৰ হিচাপ ৰখা হয়নে ?

(ঙ) যদি হয়, এতিয়ালৈ পৰি থকা পাৰ্টচৰ মুঠ মূল্য (টকাৰ হিচাপত) কিমান হব ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (পৰিবহন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

৩। (ক) বৰ্ত্তমান ১৫৭ খন যাত্ৰীবাহী বাছ আৰু ২ খন ট্ৰাক অচল হৈ পৰি আছে।

(খ) ১৫৭ খন যাত্ৰীবাহী বাছৰ দাম মুঠ ২০২,২৩,৬৬৪ টকা আৰু ২ খন ট্ৰাকৰ কিনা দাম মুঠ ৮০,৬৪২ টকা আছিল। বৰ্ত্তমান যাত্ৰীবাহী বাছৰ বিক্ৰী দাম আনুমানিক মুঠ ৩০ লাখ আৰু ট্ৰাক ২ খনৰ বিক্ৰী দাম আনুমানিক ৮ হাজাৰ টকা হব।

(গ) হয়, আছে।

(ঘ) হয়, পুৰণি পাৰ্টচৰ হিচাপ ৰখা হয়।

(ঙ) বৰ্ত্তমানে গুদামত পৰি থকা পুৰণি পাৰ্টচৰ আনুমানিক মূল্য মুঠ ১,৭৮,০০০ টকা।

শ্ৰীদীনবন্ধু চৌধুৰী ঃ অধ্যক্ষ মহোদয়, অচল হৈ থকা গাড়ী কিমান আছে আৰু সেইবিলাক মেৰামতি কৰাৰ ব্যৱস্থা কৰা হৈছেনে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, সম্পুৰ্ণ অচল হৈ থকা গাড়ী ৭/৮ খন বিক্ৰী কৰিবলৈ লোৱা হৈছে। নীলামত বিক্ৰী কৰিবলৈ লোৱা হৈছে। বাকী বিলাকৰ বাবে ইঞ্চুৰেন্স কোম্পানীৰ লগত বিক্ৰী কৰাৰ সম্পৰ্কে আলোচনা বিলোচনা কৰা হৈছে। মই নিজেও ভাবিছো যে, যিহেতু গাড়ী বিলাক বেয়া সেই বাবে সকলো বিলাক গাড়ী বিক্ৰী কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

শ্ৰীজয়নাথ শৰ্মা ঃ অধ্যক্ষ মহোদয়, ১৫৭ খন বাছ অচল হৈ আছে বুলি কৈছে। এই বাছ বিলাকৰ ড্ৰাইভাৰ আৰু কন্দাক্টৰ বিলাকো অচল হৈ আছেনেকি ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (মন্ত্ৰী) ঃ এইটো এটা বেলেগ প্ৰশ্ন। তথাপি মই কৈছো যে, সেই সকল অচল হৈ থকা নাই। কামত খটোৱা হৈছে।

আৰু ১৭২ খন বাছ কিনাৰ সিদ্ধান্ত চৰকাৰে গ্ৰহণ কৰিছে। বাছ ইতিমধ্যে আহি পাইছে।

শ্ৰীৰামেন্দ্ৰ দেঃ অধ্যক্ষ মহোদয়, অসম বানীত পৰিবহন নিগমৰ যি কথা ওলাইছে, সেই সম্পৰ্কত এটা তদন্ত কমিটি কৰিব নেকি ?

মাননীয় অধ্যক্ষঃ সেইটো এটা বেলেগ প্ৰশ্ন।

বিঃ পৌৰ সভাৰ নিৰ্বাচন

শ্ৰীমুক্তাৰ হুচেইনে সুধিছেঃ

* ৪। মাননীয় পঞ্চায়ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমৰ গাওঁ পঞ্চায়ত, টাউন কমিটি আৰু পৌৰ সভাৰ নিৰ্বাচন কেতিয়া পতা হব ?

(খ) এইটো সচানে গাওঁ পঞ্চায়তৰ কমিটিবোৰ এডহক কৰা হব ?

(গ) যদি সচা হয়, কি ভিত্তিত এডহক কমিটি গঠন কৰা হব জনাবনে ?

শ্ৰীচন্দ্ৰ আৰান্ধৰা (পঞ্চায়ত বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছেঃ

৪। (ক) যিমান সোনকালে সম্ভৱ গাওঁ পঞ্চায়তৰ নিৰ্বাচন পতা হব। (টাউন কমিটি আৰু পৌৰ সভাৰ নিৰ্বাচন পঞ্চায়ত বিভাগৰ অধীনত নপৰে)।

(খ) সঁচা।

(গ) প্ৰত্যেক খন মহকুমা পৰিষদত ১৫ জন সদস্য আৰু প্ৰত্যেকখন গাওঁ পঞ্চায়তত ৭ জন সদস্য থাকিব। এওঁলোক চৰকাৰৰ দ্বাৰা মনোনীত সদস্য হব। প্ৰত্যেকখন মহকুমা পৰিষদত ৪ জন চৰকাৰৰ মনোনীত সদস্যৰে ৩ খন অস্থায়ী কমিটি গঠন কৰা হব।

শ্ৰীমুক্তাৰ হুচেইনঃ অধ্যক্ষ মহোদয়, গাওঁ পঞ্চায়তৰ নিৰ্বাচন যিমান

সোনকালে পাৰে কৰা হব বুলি মে মাহতে এটা তাৰিখ দিছিল। এতিয়াও এটা তাৰিখ দিবনেকি ?

শ্ৰীচন্দ্ৰ আৰান্ধৰা (মন্ত্ৰী) ঃ মই এটা কথা জনাব বিচাৰিছো যে, যোৱা অধিবেশনত যিখন বিল পাচ কৰি দিছে সেইখন ৰাষ্ট্ৰপতিৰ স্বাক্ষৰ এতিয়াও হোৱা নাই।

শ্ৰীমুক্তাৰ হুচেইন ঃ পঞ্চায়তৰ নিৰ্বাচনৰ কাৰণে ভোটাৰ তালিকা প্ৰস্তুত কৰিবলৈ দিয়া হৈছেনেকি ?

শ্ৰীচন্দ্ৰ আৰান্ধৰা (মন্ত্ৰী, পঞ্চায়ত) ঃ এইটোৰ প্ৰশ্ন নুঠে যিহেতুকে মহামান্য ৰাষ্ট্ৰপতিয়ে এই বিল স্বাক্ষৰ দান কৰা হোৱা নাই।

শ্ৰীমুক্তাৰ হুচেইন ঃ মন্ত্ৰী মহোদয়ে কৈছে যে ৰাষ্ট্ৰপতিয়ে বিলত স্বাক্ষৰ দান কৰা নাই। কিন্তু আমি যিহেতুকে এই সদনতে এই বিল পাচ কৰি দিছো সেই মতে নিৰ্ব্বাচন পাতিব লাগে, আৰু এইটো আশ্বাস দিয়া হৈছিল। এতিয়া পঞ্চায়তৰ নিৰ্বাচনৰ কাৰণে ভোটাৰ তালিকা প্ৰস্তুত হৈছেনে নাই ?

শ্ৰীচন্দ্ৰ আৰন্ধাৰা (মন্ত্ৰী, পঞ্চায়ত ) ঃ প্ৰথম কাম হব ৩ তৰপীয়া পঞ্চায়তৰ কাৰণে ৬ হাজাৰ আৰু ৮ হাজাৰ লোক থকা অঞ্চল বাচি উলিওৱা। তাৰ পিচতহে তালিকাৰ কথা আহিব।

Dr. Ardhendu Dey : Hon'ble Minister assured in the House that there will be no adhoc Committee in future There will be election by May, 1986 Whether there is a question of privilege here.

Sri Chandra Arandhara (Minister) : The responsible Hon'ble Member should know until and unless the President of India gives his assent no action can be taken.

Dr. Ardhendu Dey : Hon'ble Minister assured in the House that there will be no adhoc Committee.

শ্ৰীগোলক ৰাজবংশী ঃ এইটো সচানেকি যে পঞ্চায়তৰ নিৰ্ব্বাচনৰ কাৰণে ভোটাৰ তালিকা ফৰেষ্ট এনক্ৰচাৰ বাদ দি কৰিবলৈ দিয়া হৈছে ?

শ্ৰীচন্দ্ৰ আবান্ধৰা ( মন্ত্ৰী পঞ্চায়ত ) ঃ এইটো এটা বেলেগ প্ৰশ্ন।

শ্ৰীগোলক ৰাজবংশী ঃ ভোটাৰ তালিকা কৰাৰ কাৰণে নিৰ্দ্দেশ দিয়া হৈছে ফৰেষ্টৰ এনক্ৰচাৰ বাদ দি এইটো সচানে ?

শ্ৰীচন্দ্ৰ আবান্ধৰা ঃ মাননীয় সদস্যৰ এই একে ধৰণৰ আন এটা প্ৰশ্ন আছে, মই তেতিয়া উত্তৰ দিম।

Shri Altaf Hussain Mazumdar : Mr. Speaker, Sir, the Hon'ble Minister on the floor of this House said that this Government is not going for adhocism; they dissolved the adhoc bodies and simultaneously assured that they will go for election.

Hon'ble Speaker : Next question.

Re : Police out Posts

Shri RAMENDRA DE asked :

*5. Will the Minister, Home be pleased to state—

(a) Whether the State Government has been proposing to establish some Police Out Posts in the State ?

(b) If so, is there any proposal to establish a Police Out Post at Mohakhal under Badarpur Police Station ?

শ্ৰীভৃগু কুমাৰ ফুকন (গৃহ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৫। (ক)—হয়।

(খ) নাই।

শ্ৰীৰামেন্দ্ৰ দে ঃ অধ্যক্ষ মহোদয়, এই জেলাৰ প্ৰয়োজনীয়তার প্ৰতি লক্ষ্য রেখে এখানে ভবিষ্যতে আরো আউটপোষ্ট খোলার কোন সিদ্ধান্ত এই সরকার নেবেন কি ?

শ্ৰীভৃগু কুমাৰ ফুকন ( মন্ত্ৰী ) ঃ এই প্ৰশ্নৰ উত্তৰ 'খ'ত দিয়া হৈছে।

শ্ৰীমুক্তাৰ হুচেইন ঃ মই এইটো জানিবলৈ বিচাৰিছো যে প্ৰত্যেকখন থানাতে কম পক্ষেও একোটাকৈ আউট পোষ্ট আছেনে ?

শ্ৰীভৃগু কুমাৰ ফুকন ( মন্ত্ৰী ) ঃ এই সম্পৰ্কত দাবী আহি আছে আৰু এই বিলাক বিবেচনাধীন হৈ আছে।

শ্ৰীমুক্তাৰ হুচেইন ঃ যি বিলাক থানাৰ অধীনত আউটপোষ্ট নাই সেই বিলাকত কম পক্ষেও একোটাকৈ আউটপোষ্ট দিয়াৰ ব্যৱস্থা কৰিবনে ?

( উত্তৰ নাই। )

বিঃ বিদেশী নাগৰিক চিনাক্তকৰণৰ কাম

শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱাই সুধিছে ঃ

* ৬। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) বিদেশী নাগৰিকক চিনাক্তকৰণৰ কাম কেতিয়াৰ পৰা আৰম্ভ হব ?

(খ) কেন্দ্ৰীয় চৰকাৰে এই কামত সম্পূৰ্ণ সহযোগ কৰিব বুলি কোনো আশ্বাস পাইছে নেকি ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৬। (ক) বিদেশী নাগৰিকক চিনাক্তকৰণৰ কাম বহু দিনৰ পৰাই হৈছে। বিশেষকৈ, ১৯৮৩ চনত অবৈধ প্ৰবজনকাৰী চিনাক্তকৰণ কাম ন্যায়ালয় সমূহ গঠন কৰাৰ পৰা ইয়াৰ কাম বিশেষভাবে চলি আছে।

(খ) হয়, কেন্দ্ৰীয় চৰকাৰে আশ্বাস দিছে।

শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰা ঃ এতিয়ালৈকে কিমান জন বিদেশী নাগৰিক বহিস্কাৰ কৰা হৈছে জনাবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) ঃ সদনত কব পৰা নহয়, কিন্তু তেখেতক ব্যক্তিগত ভাবে কব পৰা হব ।

Re : Census

Shri MAZIRUDDIN AHMED asked :

* 7. Will the Chief Minister be pleased to State—

(a) Is it a fact that there have been frequent requests made to the Govt. by the census Commissioner of India for making a Census in Assam which could not be held during 1981.

(b) If so, will the Government undertake the Census soon ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৭। (ক)—হয় ।

(খ)—নকৰে ।

Shri Maziruddin Ahmed : Whether Government can take steps for census because last census was taken in the year 1971 and after that 16 years have elapsed, there is no census.

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) ঃ প্ৰকৃততে চেনচাচ ১৯৭৯ চনতেই হব লাগিছিল কিন্তু বিশেষ পৰিস্থিতিৰ কাৰণে কৰিব নোৱাৰিলে । এতিয়া এইটো কৰাৰ সম্পৰ্কত চৰকাৰে বিবেচনা কৰি আছে ।

বিঃ উপপ্ৰতি সমাহৰ্ত্তাৰ কাৰ্য্যালয়

শ্ৰীজগত হাজৰিকাই সুধিছে ঃ

* ৮। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) নাওবৈছা সমষ্টিৰ কৃষকৰ সুবিধাৰ্থে এটি উপপ্ৰতি সমাহৰ্ত্তাৰ কাৰ্য্যালয়

নাওবৈছাত খোলাৰ পৰিকল্পনা চৰকাৰৰ হাতত আছে নেকি ?

(খ) যদি নাই, অনুগ্ৰহ কৰি লবনে ?

শ্ৰীথানেশ্বৰ বড়ো (ৰাজহ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৮। (ক)—হয়, নাওবৈছা সমষ্টিত এটা ৰাজহ চক্ৰ ১৯৮৬-৮৭ চনৰ বিত্তীয় বছৰতে খোলাৰ ব্যৱস্থা চৰকাৰে হাতত লৈছে।

(খ)—প্ৰশ্ন নুঠে।

Shri Charan Narzary : Sir, may I know from the Hon'ble Minister as to whether appointments of SDCs for the implementation of the provision of Chapter X of Assam Land Revenue Regulation Act, as assured by the Deputy Minister earlier, have been made ?

শ্ৰীথানেশ্বৰ বড়ো (ৰাজহ মন্ত্ৰী)ঃ মই এইটো জনাব পাৰো যে চেণ্ট্ৰেল প্লেন ইমপ্লিমেন্‌টেচনৰ কাৰণে এতিয়ালৈকে ৯ জন এ ডি চি আৰু ৪০ জন এচ ডি চি নিযুক্তি দিয়া হৈছে।

Shri Charan Narzary : Where they have been posted ?

শ্ৰীথানেশ্বৰ বড়ো ঃ এই সম্পৰ্কত বিতং বিবৰণ পিছত দিব পাৰিম।

Re : Division of amount for Assam Co-operative Jute Mill

Shri ABDUL JALIL asked :

*9 Will the Minister, Co-operation be pleased to state—

(a) Is it a fact that the entire amount allocated for construction of Godown of the Wholesale Co-operative Society and G.P. Level Co operative Societies have been directed to the Assam Co-operative Jute Mill ?

(b) If so, why?

(c) The steps the Government have taken to improve the administrative and financial position of the Mill?

Shri LALIT CHANDRA RAJKHOWA, (Minister, Co-operation) replied :

9. (a)—No.

(b)—Does not arise.

(c)—A Jute Technologist has been appointed as Chairman-cum-Managing Director to the Mill. Rs. 38.00 lakhs have been sanctioned in 1985-86 and another amount of Rs. 25.00 lakhs has been sanctioned during 1986-87 and steps have been taken to obtain financial assistance from Govt. of India as per terms of Assam Accord.

বি ঃ তাপবিদ্যুৎ প্রকল্প

শ্ৰীমতী অমিয়া গগৈয়ে সুধিছে ঃ

★ ১০। মাননীয় বিদ্যুৎ (শক্তি) বিভাগৰ মন্ত্ৰীয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) তুলিয়াজান বিধান সভা সমষ্টিৰ কঠালগুৰিত উত্তৰ পূব বিদ্যুৎ পৰিষদে ২৮০ ( M.W. ) শক্তি সম্পন্ন তাপ বিদ্যুৎ প্ৰকল্প হাতত লোৱা আচনিৰ বিষয়ে চৰকাৰে জানেনে ?

(খ) এই প্ৰকল্পৰ কাম বৰ্ত্তমান কি পৰ্য্যায়ত আছে জনাবনে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা ( বিদ্যুৎ (শক্তি) বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

১০। (ক) হয়, জানে।

(খ) জনা নাযায়।

শ্ৰীস্বৰূপ উপাধ্যায় ঃ অধ্যক্ষ মহোদয়, অসমৰ মুখ্য মন্ত্ৰী আৰু ভাৰত চৰকাৰৰ শক্তি মন্ত্ৰীয়ে আলোচনা কৰাৰ পিচত উক্ত প্ৰকল্পটো নেপকোক কাৰ্য্যকৰী কৰিবলৈ দিয়াটো মুখ্য মন্ত্ৰীয়ে সন্মতি প্ৰকাশ কৰাটো সচা নেকি ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা ( মন্ত্ৰী ) ঃ অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীৰ উত্তৰত মই কব খুজিছো যে এই ক্ষেত্ৰত আমাৰ মুখ্য মন্ত্ৰী মহোদয়ে কেন্দ্ৰীয় চৰকাৰক কৈছিল যে ২৮০ মেগাৱটৰ প্ৰস্তাৱিত প্ৰকল্পটো কঠালগুৰিত স্থাপন কৰা হব। কেন্দ্ৰীয় চৰকাৰে কৈছে যে এই উদ্যোগ নেপকোৰ পৰিবৰ্ত্তে অসম ৰাজ্যিক বিদ্যুত পৰিষদক দিব লাগে।

শ্ৰীস্বৰূপ উপাধ্যায় ঃ অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে এই প্ৰকল্পটো নেপকোৰ যোগেদি কৰা হব নেকি ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্য মন্ত্ৰী ) ঃ অধ্যক্ষ মহোদয়, এই সম্পৰ্কে স্পষ্ট ভাবে কৈছো, এই প্ৰকল্পটো এ, এচ, ই, বি যে কৰিব। প্ৰধান মন্ত্ৰীয়ে অলপতে বহা উত্তৰ পূৱ পৰিষদৰ সভাত আলোচনা প্ৰসঙ্গত কৈছে যে এ, এছ, ই, বি, ৰ ইঞ্জিনিয়াৰেই উপযুক্ত হব।

শ্ৰীআলটাপ হুচেইন মজুমদাৰ ঃ অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে প্ৰধান মন্ত্ৰীৰ লগত আলোচনা হোৱাৰ আগত নে পাচত নেপকোৰ সলনি এ, এছ, ই, বি, ক দায়িত্ব দিয়াৰ সিদ্ধান্ত হৈছে ?

Shri Deba Bora : The question is related to the Power Minister. Other subsidiary questions do not arise.

Shri Altaf Hussain Mazumdar : The Chief Minister has replied the question. So we are entitled to ask the question.

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, এই সম্পৰ্কে মই স্পষ্টভাবে কৈছো যে এ, এছ, ই, বি, ক দায়িত্ব দিব লাগে।

বি ঃ অনুসূচীত জাতি উন্নয়ন বোৰ্ড

শ্ৰীৰত্নেশ্বৰ চৰকাৰে সুধিছে ঃ

* ১১। মাননীয় ভৈয়াম জনজাতি আৰু অন্যান্য পিচ পৰা শ্ৰেণীৰ কল্যান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) উত্তৰ শালমৰা মহকুমাৰ অনুসূচীত জাতিৰ উন্নয়ন বোৰ্ডখন গঠন কৰা হৈছেনে ?

(খ যদি হৈছে কোন কোন তাৰ সদস্য হৈছে অনুগ্ৰহ কৰি জনাবনে ?

'গ উক্ত মহকুমাৰ অন্তৰ্গত অভয়াপুৰী দক্ষিণ (অনুসূচীত) সমষ্টিৰ বিধায়ক জনক উক্ত বোৰ্ডত ৰখা হৈছেনে ?

(ঘ) যদি ৰখা হোৱা নাই, কিয় ?

শ্ৰীভৰত চন্দ্ৰ নৰহ (ভৈয়াম জনজাতি আৰু অন্যান্য পিচপৰা শ্ৰেণীৰ কল্যান বিভাগৰ মন্ত্ৰী) যে উত্তৰ দিছে ঃ

১১। (ক)—হয়, জাননী নং TAD/SC/60/84/pt/11/154,dt.12.5.86 ৰ যোগেদি গঠন কৰা হৈছে।

(খ)—১৫ জন সদস্যৰে উত্তৰ শালমৰাৰ অনুসূচীত জাতিৰ কল্যান বোৰ্ডখন গঠন কৰা হৈছে। সদস্যৰ তালিকা এখন সদনৰ মেজত ৰখা হৈছে।

(গ)—নাই।

(ঘ)—বিধায়ক সকলক Advisory Councilত হে সদস্য অন্তৰ্ভুক্ত কৰা হৈছে। তেখেত সকলক Subdivisional welfare Board সমূহত অন্তৰ্ভুক্ত কৰাৰ প্ৰয়োজনবোধ কৰা হোৱা নাই।

শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, ইয়াত উত্তৰ দিয়াটো অলপ অসুবিধা হৈছে। ইয়াত আমি তুজন সদস্য লৈছো। প্ৰথমতে হৈছে কুমাৰী

ৰবি দাস কৰিমগঞ্জ মহকুমা, দ্বিতীয় জন হৈছে ছাপাগুৰি সমষ্টিৰ শ্ৰীসুৰেন স্বৰ্গীয়াৰী নলবাৰী মহকুমাত লোৱা হৈছে। এই দুজন মাননীয় সদস্যকে কমিটীৰ সদস্য হিচাবে লোৱা হৈছে আৰু বাকী কোনো সদস্যকে কমিটীৰ সদস্য হিচাবে হোৱা লোৱা নাই।

Shri Charan Narzari : We have a pertinent question. The Hon'ble Minister has said about the ITDP at Subdivisional level also. ITDP at Subdivisional level is such an important Committee that it has to look after the spending of lakhs of rupees under TSP Now, the elected respresentatives have their vital role to play and they have their Constitutional obligation also to look after the spending of the money under the Tribal Sub-plan. So, the elected represe-ntatives, that means the hon'ble members of the Assembly, should be involved in such Committees. I want to know from the Hon'ble Minister whether the Scheduled Tribes members of the Legislative Assembly will be included in the ITDP Committees in their respe-ctive areas so that they can look after the spending of the money.

শ্ৰীভৰত চন্দ্ৰ নৰহ : অধ্যক্ষ মহোদয়, মাননীয় উক্ত সদস্য গৰাকীয়ে যিটো প্ৰশ্ন কৰিছে সেইটো বৰ গুৰুত্বপূৰ্ণ। এই বিষয়ে মই বিবেচনা কৰি চাম।

শ্ৰীজয়নাল আবেদিন : অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে সমষ্টিৰ বিধায়ক জন যদি অনুসূচীত নহয়, সেই বিলাক সমষ্টিত যি বিলাক অনুসূচীত উন্নয়ন বোৰ্ড হব সেই বোৰ্ডৰ কাৰণে সদস্য নিৰ্বাচন কৰা ভিত্তি কি আৰু লগতে জানিব বিচাৰিছো যে তেনে সদস্যৰ নিৰ্ব্বাচনৰ তালিকাখন আগতে সংশ্লিষ্ট বিধায়ক গৰাকীৰ পৰামৰ্শ বিচৰা নীতি গ্ৰহণ কৰিছে নেকি ?

শ্ৰীভৰত চন্দ্ৰ নৰহ : অধ্যক্ষ মহোদয়, অনুসূচীত কমিটীত যি সকল সদস্যক নিৰ্বাচিত কৰি লোৱা হয়, তেওঁলোকৰ উপযুক্ততা চাই লোৱাটো আমাৰ নিয়ম।

শ্ৰীজয়নাল আবেদিন : অধ্যক্ষ মহোদয়, ৰাইজৰ দ্বাৰা নিৰ্বাচিত প্ৰতিনিধি

সকল এখন কমিটীৰ এজন উপযুক্ত সদস্য। এই ক্ষেত্ৰত মতামত কি? কোনোবাই কিছুমান ক্ষেত্ৰত এই নীতি অনুসৰণ কৰিছে আৰু কিছুমান ক্ষেত্ৰত কৰা নাই নেকি?

শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী): অধ্যক্ষ মহোদয়, উপযুক্ত লোক নিৰ্বাচিত কৰিয়েই কমিটীত লোৱা হয়। যদি কাৰোবাৰ বিৰুদ্ধে অভিযোগ থাকে আপত্তি কৰিলে তেওঁক কমিটীৰ পৰা বদলি কৰি দিয়া হয়।

শ্ৰীহেমেন দাস: মহোদয়, নাৰ্জাৰী ডাঙৰীয়াই অতি প্ৰয়োজনীয় কথা উত্থাপন কৰিছে অনুসূচীত লোক সকলৰ নামত টকা আছে তেওঁলোকৰ কল্যাণৰ কাৰণে। তেওঁলোকৰ উন্নয়নৰ কাৰণে কাম কৰিবলৈ কমিটী গঠন কৰা হয়। এই কমিটীৰ লোক সকলে তেওঁলোকৰ আকোৰগোজ মনোভাব ধৰি নাথাকি বহল ভিত্তিত কাম কৰিলে সকলোৰে কল্যাণ হব। বৰপেটা জিলাত আই, টি, ডি, পিৰ, মেম্বাৰ লোৱা হৈছে, যিটো সমষ্টিত ট্ৰাইবেলৰ সংখ্যা কম। গতিকে দেখা যায় যে তেওঁলোকৰ উন্নতিৰ সংক্ৰান্তত কোনো সংশোধনী আপোনালোকৰ দ্বাৰা কৰিব পৰা নহব। গতিকে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰো যে জনজাতিৰ কল্যাণ আৰু উন্নতিৰ হকে যি সকল সহযোগ আগবঢ়াব বিচাৰিছে তেওঁলোকৰ সহায় লওক।

শ্ৰীজয়নাল আবেদিন: অধ্যক্ষ মহোদয়, যিহেতুকে উত্তৰ শালমৰা অনুসূচীত সমষ্টি তালৈ লক্ষ্য ৰাখি অনুসূচীত জনজাতিৰ মহকুমা বোৰ্ডে যোগাবলগীয়া সুবিধাখিনি আবণ্টন কৰাত জোৰ দিয়া হব নে নহয় যিহেতুকে এতিয়া লাখ লাখ টকা এই বোৰ্ডৰ জৰিয়তে দিয়া হৈছে।

শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী): অধ্যক্ষ মহোদয়, এইটো মই বিবেচনা কৰি চাম।

Shri Charan Narzari – Sir, may I put a suggestion to the Hon'ble Minister to include all the Hon'ble Members of this House belonging to scheduled-Tribe-communities in those committees, whether it is I.T.D.P. or Scheduled-Castes-Committees, irrespective of their party affiliations?

Mr. Speaker—The Hon'ble Minister has already replied. Now, the next question.

বিঃ মহকুমা কাৰ্য্যালয়ৰ বাবে স্থায়ী ঘৰ

শ্ৰীআমিনুল ইচলামে সুধিছে ঃ

* ১২। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) মানকাছাৰ আৰু দক্ষিন শালমাৰা বিধান সভা সমষ্টি দুখনকলৈ গঠিত হাট শিঙ্গিমাৰী মহকুমা সম্পৰ্কিত কাৰ্য্যালয় সমূহৰ বাবে প্ৰয়োজনীয় স্থায়ী ঘৰ সমূহ নিৰ্মানৰ বাবে চৰকাৰে কোনো ব্যৱস্থা হাতত লৈছেনে ?

(খ) যদি লোৱা হোৱা নাই, তেন্তে চলিত বিত্তীয় বছৰতে উক্ত মহকুমাৰ সদৰ ঠাইত প্ৰয়োজনীয় ঘৰ দুৱাৰ নিৰ্মান কৰাৰ ব্যৱস্থা লবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

১২। (ক)– নাই।

(খ)—এই সম্পৰ্কে আৱশ্যকীয় ব্যৱস্থা লোৱা হৈছে।

শ্ৰীআমিনুল ইচলাম ঃ যি উদ্দেশ্যত মহকুমা গঠন কৰা হৈছিল সেই উদ্দেশ্যত কাম সাধিত হোৱা নাই সেই গতিকে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা জানিব পাৰোনে যে অন্য ঠাইত মহকুমা গঠন কৰাৰ কাৰণে চৰকাৰে ব্যৱস্থা কৰিব নে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত :— অধ্যক্ষ মহোদয়, হাটশিঙিমাৰীত মহকুমা হিচাবে লোৱাৰ পিচত বাইজে আপত্তি কৰিছিল কাৰণে নামনি অসমৰ আয়ুক্তৰ অধীনত এটা কমিটি কৰি দিয়া হৈছে শালমাৰাত মহকুমা পাতিব পৰা হয় নে নহয় সেইটো চাবলৈ।

Starred Question No. 13 was not put and answered, Questioner being absent.

Re : Recruitment of L D. Assistant in Assam Secretariat

Shri SHEIKH ABDUL HAMID asked :

* 14. Will the Chief Minister be pleased to state—

(a) Whether it is a fact an advertisement has been issued by the Deputy Secretary to the Government of Assam, Department of Personnal S.A. (E) on 19th May, 1985 for recruitment of L D. Assistant in Assam Secretariat ?

(b) Is it also a fact that in the said advertisement the aplicants were asked to appear in a written test where 50 marks have been allotted for general Assamese ?

(c) If so, whether the applicants belonging to non Assamese medium would not be able to compete in the recruitment ?

Shri PRAFULLA KUMAR MAHANTA (Chief Minister) replied :

14. (a) An advertisement was issued on 19th May, 1986.

(b) Yes.

(c) No.

Shri Sheikh Abdul Hamid : Sir, may I know from the Hon'ble Chief Minister how the candidates of Bodo medium or any other non-assamese medium will compete and on which language ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ঃ অধ্যক্ষ মহোদয়. অসমীয়াৰ বাহিৰেও বহুতো শিক্ষাৰ মাধ্যম আছে তাৰ ভিতৰত বাংলা, হিন্দী বড়ো ইত্যাদিও আছে। কিন্তু এজন আবেদনকাৰীয়ে যদি সচিবালয়ত চাকৰি কৰিবলগীয়া হয় তেতিয়াহলে তেওঁৰ ক্ষেত্ৰত অসমীয়া ভাষাৰ জ্ঞান লাগিব যিহেতু অসমত ৰাজ্যিক ভাষা অসমীয়া। এই ক্ষেত্ৰত মাত্ৰ চল্লিশ নম্বৰ উত্তৰহে কৰিব। সাধাৰণ ইংৰাজী এশ নম্বৰ, সাধাৰণজ্ঞান পঞ্চাশ নম্বৰ মুঠতে দশ নম্বৰৰ ভিতৰত অসমীয়াতে চল্লিশ নম্বৰ হে।

Shri Sheikh Abdul Hamid : Sir, in order to serve the Assembly Sectt. a non-assamese candidate must know the assamese language. But in the case of Assam Sectt., according to the constitutional obligation, a non-assamese candidate without knowing the Assamese medium can serve the Sectt. May I know whether this principle is not applicable in the case of Assembly Sectt. ?

Shri Charan Narzari : Sir, in case of Govt. service, Govt. have imposed certain conditions making assamese language compulsory for those who do not have the knowledge of Assamese language. Sir, in case of Bodo language, it has been accepted as an associate language of the State by a legislation. Now, what will be the status of those who are learning in Bodo-medium ? Whether the Govt. will impose the same condition equally to those candidates having knowledge of Bodo-medium ? Sir, I would like to have a specific reply from the Hon'ble Chief Minister ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) ঃ যি সকলে বড়োপ্ৰধান অঞ্চলত চাকৰি কৰিব তেখেতসকলৰ কাৰণে সেই কথা বিবেচনা কৰা হব ।

Shri Altaf Hussain Mazumdar : Sir, it is a fact that in Assam everybody should learn Assamese. There is no doubt about it. Formerly, there was a procedure that those who do not have the knowledge of Assamese shall have to pass it during their service period. But now this clause has been deleted May I request the Hon'ble Chief Minister to reconsider the whole issue in the light of the strong opposition about it from different quarters ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, কেৱল অসমীয়া প্ৰশ্নৰ কাৰণে চল্লিশ নম্বৰ, ইয়াৰ বাহিৰেও বাকী বিষয় বিলাকত নম্বৰ আছে ।

শ্ৰীজয়নাথ শৰ্মা ঃ যিহেতু অসমীয়া চৰকাৰী আৰু ৰাজ্যিক ভাষা এই ক্ষেত্ৰত এই পঞ্চাশ নম্বৰ কম হৈছে নে নাই আৰু এই নম্বৰৰ সীমা বৃদ্ধি

কৰিবৰলৈ মুখ্যমন্ত্ৰী মহোদয়ে বিবেচনা কৰিব নে নাই ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, এই সম্পৰ্কে ইতিমধ্যে বিজ্ঞপ্তি দিয়া হৈছে ।

মাননীয় অধ্যক্ষ ঃ এতিয়া পিচৰ প্ৰশ্ন ।

শ্ৰীস্বৰূপ উপাধ্যায় ঃ অধ্যক্ষ মহোদয়, মই এটা সুধিব বিচাৰিছিলো আগৰ প্ৰশ্নটোত ।

মাননীয় অধ্যক্ষ ঃ পিচৰ প্ৰশ্ন লৈ আহক ।

Re : Electoral Roll

Shri GOLAK RAJBONSHI asked :

★ 15. Will the Minister. Panchayat be pleased to state—

(a) Is it a fact that Govt, has issued instructions to delete the names of voters residing in Forest Reserves as encroachers while preparing the electoral roll for the ensuing Panchayat Election ?

(b) If so, what are the present laws which are meant to deal with such encroachers ?

Shri CHANDRA ARANDHARA (Minister, Panchayat & R.D.) replied :

15. (a) No.

(b) Does not arise.

বিঃ স্থায়ী ৰাজধানী

শ্ৰীমুক্তাৰ হুচেইনে সুধিছে ঃ

* ১৬ । মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) এইটো সচানে, প্ৰয়াত প্ৰধান মন্ত্ৰী শ্ৰীমতী ইন্দিৰা গান্ধী চন্দ্ৰপুৰত অসমৰ স্থায়ী ৰাজধানীৰ বাবে আধাৰশিলা স্থাপন কৰা ঠাইত অসমৰ ৰাজধানী নিৰ্মান কৰা নহয় ?

(খ) যদি সচা, অসমৰ স্থায়ী ৰাজধানী স্থাপনৰ বাবে এই চৰকাৰে কোনো চিন্তা কৰিছেনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

১৬। (ক)—এই বিষয়ে এতিয়াও কোনো সিদ্ধান্ত লোৱা হোৱা নাই।

(খ)—(ক) প্ৰশ্নৰ উত্তৰৰ পৰিপ্ৰেক্ষিতত প্ৰশ্ন নুঠে।

শ্ৰীমুক্তাৰ হুচেইন ঃ অসমৰ স্থায়ী ৰাজধানীৰ কাৰণে অনতি পলমে সিদ্ধান্ত লোৱাৰ বিবেচনা কৰিছেনে জানিব বিচাৰিছো।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) ঃ এই সম্পৰ্কে বিবেচনা কৰি এটা কমিটি ঠিক কৰি স্থান নিৰ্দ্ধাৰণৰ ব্যৱস্থাৰ কথা চিন্তা কৰা হৈছে।

শ্ৰীমুক্তাৰ হুচেইন ঃ কিমান দিনৰ ভিতৰত কৰিব সেইটো জনাবনে ?

Shri Charan Narzary : Sir, I donot know the exact name of the place somewhere nearby Guwahati. Whether it is a fact that if this State capital is shifted to the site as proposed by the present Government, thousands of indigenous people are going to be evicted, their lands are requisitioned, whether Government have considered this aspect ?

শ্ৰীকুল বাহাদুৰ চেত্ৰী ঃ ৰাজধানী কমিটিয়ে স্থায়ী ৰাজধানী চন্দ্ৰপুৰত হব নে আন কৰ'বাত হব বিবেচনা কৰিবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) ঃ এই কথা এতিয়া কব পৰা নাযাব। বেলেগে প্ৰশ্ন কৰিলে পিচত কব পৰা যাব।

Re : Barak Dam Project

Shri RAMENDRA DE asked :

* 17. Will the Minister, Flood Control be pleased to state –

(a) Whether selection of site plan and estimate for Barak Dam Project has been finalised and if so, when ?

(b) When the work has been started and the total expenditure incurred so far (to be shown year wise) ?

(c) The total cost involved and who will finance ?

শ্ৰীছামচিং হাঞ্চে (বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

১৭ (ক) টিপাইমুখ বান্ধ প্ৰকল্প নামে জনজাত বৰাক বান্ধৰ প্ৰকল্প প্ৰতিবেদন কেন্দ্ৰীয় জল আয়োগে প্ৰস্তুত কৰাৰ পিচত ব্ৰহ্মপুত্ৰ বোৰ্ডে ২৯।১।৮৫ তাৰিখে কেন্দ্ৰীয় চৰকাৰলৈ অনুমোদনৰ বাবে প্ৰেৰণ কৰিছে। প্ৰতিবেদনটো বৰ্ত্তমানো কেন্দ্ৰীয় চৰকাৰৰ আৰ্থ-কাৰিকৰী দিশত পৰীক্ষাধীন হৈ আছে।

(খ)—প্ৰশ্ন নুঠে।

(গ) প্ৰাক্কলনমতে প্ৰকল্পটোৰ বাবে খৰচ হব টকা ১০৭৮ কোটি। প্ৰকল্পটো কাৰ্যকৰী কৰিবলৈ ধন কোনে দিব, অনুমোদন হলেহে জানিব পৰা যাব।

Shri Ramendra De : Sir, whether the Govt. of Assam feels it neecessary to take any initiative to take the approval of the Govt, of India and implement its decisions for the benefit of the public of the State as a whole ?

শ্ৰীছামচিং হাঞ্চে (বান নিয়ন্ত্ৰণ মন্ত্ৰী) ঃ এই সম্পৰ্কত আমাৰ গণ পৰিষদ চৰকাৰে প্ৰচেষ্টা হাতত লৈছে।

বিঃ গাওৰক্ষী বাহিনী

শ্ৰীৰত্নেশ্বৰ চৰকাৰে সুধিছে ঃ

* ১৮। মাননীয় গৃহ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমত কিমানটা গাওঁৰক্ষী বাহিনী আছে ?

(খ) এই গাওৰক্ষী বাহিনীক মাহিলী জেপ খৰছৰ বাবদ কিমান কৰি দিয়া হয় ?

(গ) গাওঁৰক্ষী বাহিনীৰ কোনো সদস্যৰ কৰ্ত্তব্যৰত অৱস্থাত দুৰ্বৃত্তৰ হাতত প্ৰাণ গলে চৰকাৰৰ পৰা মৃতকৰ পৰিয়ালক আৰ্থিক সাহায্য দিয়াৰ আঁচনি আছেনে ?

(ঘ) গাওঁৰক্ষী বাহিনীৰ চাৰ্কোল অৰ্গেনাইজাৰৰ মাহিলি দৰমহা কিমান ?

(ঙ) যিসকল অৰ্গেনাইজাৰৰ উপযুক্ত অৰ্হতা আছে সেই সকলৰ পদোন্নতিৰ ব্যৱস্থা আছেনে ?

শ্ৰীভৃগু কুমাৰ ফুকন (গৃহ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

১৮। (ক)—১। পঞ্জীভুক্ত ঃ—৭৭৬১ টা।
২। অপঞ্জীভুক্তঃ—২০১৬ টা।

(খ)—মাহিলী ২০·০০ (বিশ) টকা (অকল পঞ্জীভুক্ত বাহিনীৰ বাবে)

(গ)—বৰ্ত্তমানলৈকে নাই। কিন্তু তেনে ক্ষেত্ৰত মৃতকৰ পৰিয়ালক অনুদান দিবৰ বাবে চৰকাৰক অনুৰোধ জনোৱা হয়।

(ঘ)—হাইস্কুল শিক্ষান্ত পৰীক্ষা পাছ কৰা সকলৰ বাবে ৪৭০-১২-৫৩০ (ই বি) ১২-৫৯০ (ই বি)-১৫-৬৮০-২০-৮০০ টকা মাহিলি আৰু ওপৰঞ্চি বানচ।

পাছ নকৰা সকলৰ বাবে—

৪১০-১০-৪৭০ (ই বি) ১০-৫৪০ (ই বি)-১৩-৬৭০.০০ টকা মাহিলি আৰু উপৰঞ্চি বানচ ।

(ঙ)—এতিয়ালৈকে নাই ।

শ্ৰীৰত্নেশ্বৰ চৰকাৰ ঃ মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যি সকল অৰ্হতা সম্পন্ন অৰ্গেনাইজাৰ আছে তেওঁলোকৰ প্ৰমোচনৰ ক্ষেত্ৰত কিবা ব্যৱস্থা কৰিছে নে নাই ? আৰু যদি কৰিছে কি ব্যৱস্থা কৰিছে ?

শ্ৰীভৃগু কুমাৰ ফুকন (গৃহ মন্ত্ৰী) ঃ এতিয়ালৈকে এই সম্পৰ্কে কোনো ব্যৱস্থা নাই । গাওঁৰক্ষী বাহিনীৰ নিয়মাৱলীখনৰ সালসলনিৰ ব্যৱস্থাৰ কথা চিন্তা কৰি থকা হৈছে ।

Re : Industrial Training Centre

Shri RAMENDRA DE asked

* 19. Will the Minister, Labour & Employment be pleased to state—

(a) The total number of Industrial Training Institute in Assam ?

(b) Is there any Industrial Training Institute at Karimganj ?

(c) If so, where it exists ?

Shri Barki Prasad Telenga (Minister, Labour and Employment) replied :

19. (a) 14 (Fourteen) and three are being started from this year,

(b) Yes.

(c) The Institute is functioning as Guest I.T.I.

Shri Ramendra De ; Sir, there is an Industrial Estate at Badarpur, within the district of Karimganj which has been abandoned. May I know whether the Govt. of Assam is taking any step to run this Industrial Estate and the I.T.I of Badarpurghat ?

শ্ৰীবাৰ্কিপ্ৰসাদ টেলেঙ্গা (শ্ৰম মন্ত্ৰী) ঃ মই আগতে কৈছো ১৪ খন আই টি আই আছে আৰু ৩ খন বেলেগে হব। তেখেতৰ প্ৰশ্নটো বেলেগে কৰিলে উত্তৰ দিয়াত সুবিধা হব ।

Shri Jainal Abedin : Sir hon. Minister has replied that there are already 14 ITIs in the State and three more are going to be established soon. Whether the Minister would let this House know where these three newly created ITIs will be established ? Whether these will be established in those districts where there is no ITIs ?

মই প্ৰশ্নটো অসমীয়াত কৈ দিছো, মই জানিব বিচাৰিছো এই যে ৩ খন আই টি আই কৰা হব ক'ত ক'ত বা হব আৰু অসমৰ কোনোবা জিলাত আই টি আই নোহোৱাকৈ আছে নেকি ?

শ্ৰীবাৰ্কিপ্ৰসাদ টেলেঙ্গা (শ্ৰম মন্ত্ৰী) ঃ মই আগতে কৈছো যে অসমত ১৪ খন আই টি আই আছে আৰু ৩খন হব তাৰ কাৰণে ঠাই চাই থকা হৈছে। প্ৰতিখন জিলাতে একোখন আই টি আই দিয়া হব ।

## Undisposed Starred Questions

## Dated : 4. 8. 86

### Re : Pool Cars to M. L As

Shri Maziruddin Ahmed asked :

* 20. Will the Minister, Transport be pleased to state—

(a) Whether the Govt. has provided Pool Car to M. L As ?

(b) If so, to how many of them Pool Cars have been provided by now ?

(c) Whether each and every M.L.A. will be provided with a Pool Car and ,if so, by what time ?

(d) If not, why ?

Shri Lalit Chandra Rajkhowa (Minister, Transport) replied :

20. (a) Some M. L. As have been provided with Pool Cars.

(b) At present 14 Nos. of Pool Cars have been detailed with M. L. As.

(c) No.

(d) The Pool Transport Organisation has a limited number of Pool Cars. So it is not possible to provide pool cars to each and every M.L.A.

Mr. Speaker : Question hour is over now.

মই এতিয়ালৈকে সভা স্থগিত প্ৰস্তাৱৰ ওপৰত তিনিখনমান জাননী পাইছো। জাননী দিয়া সকলৰ নামৰ ভিতৰত আছে শ্ৰীহেমেন দাস, শ্ৰীআলটাফ হুচেইন মজুমদাৰ আৰু শ্ৰীঅৰ্দ্ধেন্দু দে। এখেত সকলে এতিয়া সভা স্থগিত প্ৰস্তাৱৰ ওপৰত তেওঁলোকৰ মন্তব্য দিব পাৰে।

শ্ৰীহেমেন দাস ঃ অধ্যক্ষ মহোদয় যোৱা ২১ তাৰিখৰ ঘটনাৰ সন্দৰ্ভত আমি সকলোৱে মৰ্মাহত হৈছো। অসমৰ মুখ্যমন্ত্ৰী পোন প্ৰথমবাৰৰ বাবে বৰাক ভেলীলৈ গৈছিল। তেতিয়া কৰিমগঞ্জ চহৰত পুলিচৰ গুলীত কেইজনমান লোক পুলিচৰ লোক সহ মৃত্যুৰ মুখত পৰে। তাৰ পিচতেই বৰাক আৰু কৰিমগঞ্জত এটা আন্দোলন গঢ়ি উঠে। এতিয়াও মাজে মাজে গুলী চালনাৰ খবৰ আমি পাই আছো আৰু বহুতো মানুহ আনকি ঘৰ বাৰী এৰি বাংলাদেশ আৰু ত্ৰিপুৰাত আশ্ৰয় লৈ আছে বুলি জানিব পাৰিছো। অসমৰ মুখ্যমন্ত্ৰী যিহেতু তালৈ যোৱাৰ কথা এতিয়া কথা হল তাত মুখ্যমন্ত্ৰীৰ কাৰণে সম্পূৰ্ণ নিৰাপত্তা লোৱাৰ কাৰণে নিৰ্দ্দেশ আদি দিয়া গৈছিল নে নাই ? কৰিমগঞ্জৰ এ, জি, পি য়ে যোলে সভা পাতিব নেলাগে বুলি আপত্তি কৰিছিল। কিন্তু গুৱাহাটীৰ পৰা দুজন নেতা গৈ তাত সভা পাতিব লাগিব বুলি কৈছিল। মুখ্যমন্ত্ৰীৰ ভ্ৰমণৰ বিৰোধীতা কৰি কলা পতাকা প্ৰদৰ্শন কৰা হব বুলি কিছুমান সংগঠনে আগতেই জনাই দিছিল। তাৰ পিচতো কিয় চৰকাৰী প্ৰশাসনে পৰিবেশ নিয়ন্ত্ৰণ কৰিব নোৱাৰিলে ? আৰু মুখ্যমন্ত্ৰী যদি জানিছিল তেনে ঘটনা হব পাৰে বুলি তেনে হলে কিয় তালৈ গৈছিল ? এই বিষয়টো আজিয়েই সদনত বিচাৰ হব লাগে। এই বিষয়ে বাতৰি কাকতত যদিও বহু বাতৰি ওলাইছে তথাপি প্ৰকৃত ঘটনাৰ খবৰ আমি এতিয়াও পোৱা নাই যেন লাগে। সেয়ে এই বিষয়ে সদনত খোলাকৈ আলোচনা হব লাগে। নহলে হয়তো ইয়াৰ পিচত সাম্প্ৰদায়ীক ঘটনাৰ সৃষ্টি হব পাৰে। বাতৰি কাকতত নিৰ্ভৰ কৰি থকাটো উচিত নহব। সেয়ে মই এই বিষয়টো আলোচনা কৰিবলৈকে সভা স্থগিত প্ৰস্তাৱ আনিছো যাতে অন্য বিষয় আতৰাই হলেও এই বিষয়টো খোলাকৈ আলোচনা হব পাৰে।

Mr. Speaker : Please speak about the admissibility of the Motion.

শ্ৰীহেমেন দাস ঃ এই কথাটো প্ৰেক্টিচ এণ্ড প্ৰচিদিউৰত সুন্দৰ ভাবে লিখা আছে। ইয়াৰ ৪২৫ নং পৃষ্ঠাত লিখা আছে ১৯৫০ চনৰ তেতিয়াৰ অধ্যক্ষ শ্ৰীমাবালাংকাৰে এটা ৰুলিং দিছিল।

In his ruling in the Practice and Procedure of Parliament at pages 425 it has been said

"The crucial test always is as to whether the question proposed to be raised has arisen suddenly and created an emergent situation of such a character that there is prima facie case of urgency and the House must therefore leave aside all other business and take up the consideration of the urgent matter at the appointed hour. The urgency must be of such a character that the matter really brooks no delay and should be discussed on the same day the notice has been given."

এতিয়াও আৰ্জেন্সি আছে চাওক—কাৰণ অসমৰ মুখ্যমন্ত্ৰী তাত উপস্থিত হোৱাৰ লগে লগে পুলিচৰ গুলিত মানুহ মৰিল আকৌ বাইজৰ মাৰতো পুলিচ মৰিল। কৰিমগঞ্জত কলা পতাকা প্ৰদৰ্শন কৰা হৈছিল। তাত পুলিচৰ অত্যাচাৰো হৈছিল এইবোৰ কথা বাতৰি কাকতত ওলাইছিল। গতিকে এই বিষয়টো খোলা ভাবে আলোচনা কৰা প্ৰয়োজন। ৰুলচৰ ৪৩১ নং পৃষ্ঠাতো লিখা আছে—

A matter is "urgent" only if it is of very recent occurence and must be raised at the first available opportunity (e). Matters arising during the period when the House is not in session should be raised on the first day of the House meets (f).

ইয়াৰ আগতে আমি সুবিধা পোৱা নাছিলো কিন্তু আজিয়েই আমি সমবেত হৈছো আজিয়েই বিষয়টো উত্থাপন কৰাৰ উপযুক্ত সময়। পুলিচে জনতাক বাধা দিছে এই পুলিচে কিন্তু গুলি কৰা নাই। মাজৰ পৰা কোনোবাইহে গুলি কৰিছে। এই ঘটনাই অসমৰ পৰিবেশটো বিষাক্ত কৰি তুলিছে। গতিকে এই বিষয়ে সদনত সভাস্থগিত প্ৰস্তাৱ উত্থাপন কৰিব পাৰি।

মাননীয় অধ্যক্ষ ঃ এই একোটা বিষয়ৰ ওপৰত মাননীয় সদস্য শ্ৰীআলতাফ হুছেইন মজুমদাৰে কব।

Shri Altaf Hussain Mazumdar : Mr. Speaker Sir, this was the first visit of the Hon'ble Chief Minister of Assam. It is really unfortunate that such an unfortunate incident had occured in Barak Valley in his first visit. The people were expecting to welcome the Chief Minister. Sir, on that day when the Chief Minister entered in the Circuit House there was no obstruction in front of the Circuit House and the roads were open. But when the Chief Minister was in the Circuit House, a section of the police in the name of dispursing the crowd had started firing indiscriminately to the crowd gathered outside. Their fault is that they were demonstrating outside peacefully to submit a memorandum to the Chief Minister. As a result of this firing, several persons have been killed. This is an insult to the Government. The firing was unwarranted and unprovoked. As a result of this firing one constable Shri Gurupada Dey, who was on duty in Judicical Magistrate Court was killed inside the Magistrate's room Another person Shri Jaganmoy De was also killed by the firing. Similarly, one Shri Jesudas, who was at a distance of about 1/2 furlong away was also killed by that unprovoked firing. Sir, before the visit of the Chief Minister, Education Minister also had been to Cachar district. He had also faced similar situation but tackled it very tactfully and nicely. Home Minister also visited Cachar and that time nothing happened but this time, although there was a good intention behind the visit of Chief Minister how such an unfortunate incident happened. It has been widely spread that some bombs were thrown for killing the Chief Minister. This has been rumoured for creating bitterness among the different sections of people. But this rumour is completely baseless and there was no such attempt at all. So Sir, the whole thing should be discussed in the House for the greater interest of the State. Sir, the whole things should be discussed in this House for

the greater interest of the State. Unless it is discussed in this House, rumours float, it will affect badly in the matters of integrity of the State and also good relations between different Groups of people. Therefore, the whole matters should be discussed in this House through an adjournment motion, because this is a recent occurence of urgent importance. It should be discussed by both the sides of the House. Sir we are feeling that from certain quarters the Chief Minister's visit has been sabotaged.

Shri Ardhendu Dey : Sir, I support the motion moved by Hon'ble member, Mr. Altaf Hussain Mazumdar.

শ্ৰীজয়নাথ শৰ্ম্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, এই গোটেই আলোচনা কৰিবলৈ সদনত সভা স্থগিত প্ৰস্তাৱৰ কোনো যুক্তীযুক্ততা নাই। এই ঘটণাৰ সন্দৰ্ভত প্ৰশাসনে ইতিমধ্যে প্ৰয়োজনীয় ব্যৱস্থা লৈছেই। মাননীয় যি গৰাকী সদস্যই এই প্ৰস্তাৱটো কৰিছে তেখেতেও জানে যে এই ঘটণাৰ লগত জৰিত এচাম লোক বাংলা দেশলৈ পলাই গৈছে। আচলতে এই লোক সকল বাংলা-দেশৰেই। তেওলোকে ইয়াত আত্মগোপন কৰি থাকি গণ্ডগোলৰ সৃষ্টি কৰি পুনৰ পলাই যায়। এই দুৰবৃত্তহতক ধৰি আনি চৰকাৰে এওলোকৰ ওপৰত কঠোৰ শাস্তি দিয়া উচিত বুলি মই দাবী কৰো।

Shri Ardhendu Dey : Sir, people are compelled to leave the area and to go to Bangladesh for shelter.

Mr. Speaker : Now, the Hon'ble Home Minister will reply.

শ্ৰীভৃগু কুমাৰ ফুকন (গৃহ মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, কৰিমগঞ্জত সংঘতিত হোৱা ঘটনাৰ সম্পৰ্কত আজি সদনত সভা স্থগিত প্ৰস্তাৱ উত্থাপন কৰিছে যদিও মই ইয়াৰ যুক্তি যুক্ততা আছে বুলি নাভাবো। সেই কাৰণেই সভা স্থগিত প্ৰস্তাৱটো উত্থাপন কৰাৰ বিপৰীতে বিৰোধী নেতা সকলে আজি এই ঘটনাত যি বিলাক ৰাজনৈতিক দলৰ লোক জড়িত আছে সেই লোক সকলৰ কাৰ্য্যকলাপ ৰোধ কৰাৰ কাৰণে চৰকাৰে কঠোৰ ব্যৱস্থা লব লাগে

বুলিহে কব লাগিছিল। কৰিমগঞ্জৰ ঘটনা সম্পুর্ণ ৰূপে পূৰ্ব্ব পৰিকল্পিত। অকল কলা পতাকা প্ৰদৰ্শন কৰাই নহয়, তাত মুখ্যমন্ত্ৰীৰ জীৱন নাশ কৰিবলৈও চেষ্টা কৰা হৈছিল। মাননীয় সদস্য গৰাকীয়ে কৰিমগঞ্জত পুলিচৰ অত্যাচাৰ হোৱা বুলি অভিযোগ কৰিছে. এই অভিযোগ খণ্ডন কৰি মই কব খোজো যে এই ঘটনাত ৪ জন পুলিচ বিষয়াৰ মৃত্যু হৈছে। এওঁলোকক কোনে মাৰিলে? এওঁলোকৰ মৃত্যুৰ পিচতো চৰকাৰ নিৰৱ দৰ্শক হৈ বহি থাকিবনেকি? হাজাৰ হাজাৰ টকাৰ সা-সম্পত্তি ধ্বংশ হোৱাৰ পিচতো, কেইবাখনো চৰকাৰী গাড়ী জ্বলাই দিয়াৰ পিচতো চৰকাৰ নিৰৱ হৈ থাকিব নেকি? কেতিয়াও নোৱাৰে। মূখ্যমন্ত্ৰীক সম্পূৰ্ণ ৰূপে নিৰাপত্তা দিয়া হৈছিল। এই বিষয়ত কোনো প্ৰশ্ন হব নোৱাৰে। মুখ্য মন্ত্ৰীক সম্পূৰ্ণ নিৰাপত্তা দিবলৈ যাওঁতেই, পুলিচে কৰিবলগীয়া খিনি কৰোতেই, মাননীয় সদস্য গৰাকীয়ে পুলিচৰ অত্যাচাৰ হোৱা বুলি কৈছে। সেয়ে মই মাননীয় সদস্য গৰাকীক সভাস্থগিত প্ৰস্তাৱটো উঠাই লবলৈ অনুৰোধ কৰিছো। আৰু এটা কথা—বোমা পুতি থোৱা বিষয়টোৰ ওপৰত মই কব খুজিছো যে চৰকাৰে যিটো বিবৃতি কাকতত প্ৰকাশ কৰিছিল তাত এটা শব্দ আছিল, আপোনালোকে মন কৰিছিলনে নাই কব নোৱাৰো—তাত 'চাচপেক্টেডে' বুলি এটা শব্দ আছিল। কৰিমগঞ্জৰ ঘটনাটোক লৈয়েই ব্ৰহ্মপুত্ৰ উপত্যকাতো এতিয়া কিছুমান ৰাজনৈতিক নেতাই এটা অপ্ৰীতিকৰ অৱস্থাৰ সৃষ্টি কৰিবলৈ চেষ্টা কৰি আছে আৰু চৰকাৰে এনে ধৰণৰ অৱস্থাৰ যাতে সৃষ্টি নহয় তাৰ কাৰণে সকলো প্ৰকাৰে চেষ্টা কৰিব। গতিকে মই এই সভা-স্থগিত প্ৰস্তাৱটো উঠাই লবলৈ অনুৰোধ কৰিছো।

Mr. Speaker : I have heard the points raised by the Hon'ble Member and the Hon'ble Home Minister about the admissibility of the Adjournment Motion. I quite agree that the matter is a definite one as contended by the Hon'ble Member and it has also public importance but I feel that the Hon'ble Member could have raised this issue through other devices namely questions, short Notice Questions etc. as there was enough time for raising such issue after the incident had taken place. When such opportunities are available to the Members, there appeares to be no need to

upset the day's business to take up the question of an Adjournment Motion. It is not as if debates will brook no delay. As already mentioned firing took place some days ago, i.e. on 21st July'86 and any delay for a few hours or days in discussing the subject will not interfere with the fair debates of the question.

The Hon'ble Home Minister also has just now informed the House that cases have already been registered. investigation is proceeding and cases are pending It has been general practice to treat police firing not as a fit subject for an Adjournment Motion. In Practice and Procedure of Parliament by M.N. Kaul and S.L. Shakhder it has been held that a matter is not a fit subject for an Adjournment Motion "if it relates to action taken by authority in the administration of Law" (page 433). In page 473 of the Practice and Procedure of Indian Parliament by S.S More stated that 'it must not be a matter of ordinary administration of law. (a) What is administration of law is a matter of interpretation. Motions have been disallowed because the matters raised by them involved no more than the ordinary administration of law. Before 1 20, the Ordinary administration of law' meant in the earliest cases was rather the administration of justice. The following matters have been held to be matters of administration of law and as such not fit for moving an adjournment motion in the Central Legislature. Firing by police, use of lathi or tear gas, arrest of leaders of strike etc. by the police for the maintenance of peace and tranquility.

Therefore, it is an well understood limitation on the right to move an Adjournment Motion that the subject matter must involve more than ordinary administration of law. In the present case what has been gathered from the Hon'ble Minister that firing had to be resorted to maintain the law and order. In such cases where no more than the maintenance of law and order involved, an Adjournment

Motion will not be admissible. Since the other opportunities are available to members to rise the issue in the House and since police firing is not a fit subject for an Adjournment Motion. I disallowed the Motion. However. considering the importance of the matter, I would request the Hon'ble Chief Minister to make a Statement as early as possible.

শ্ৰীগোলোক ৰাজবংশী ঃ মাননীয় অধ্যক্ষ মহোদয়. আপোনাৰ ৰুলিং আমি সসন্মানে গ্ৰহণ কৰিছো। কিন্তু ইয়াৰ শেষৰ পিনে আমি সন্তুষ্ট হব নোৱাৰিলো। আপুনিয়েই কৈছে গুৰুত্বপূৰ্ণ বিষয় হলে 'কল এটেনচন' আদি দিয়াৰ পদ্ধতি আছে। তাৰ মানে আপুনি বিষয়টো আলোচনা কৰাৰ যুক্তিযুক্ততাটো মানি লৈছে। ৰুল আৰু প্ৰচিদিয়ৰ মতেই আমি সভা স্থগিত প্ৰস্তাৱ দিছিলো। যেতিয়া শিলচৰৰ পৰিস্থিতি উত্তপ্ত হৈ আছিল আৰু মুখ্যমন্ত্ৰী মহোদয়ৰ জীৱন সংশয় পূৰ্ণ হৈ আছিল ঠিক তেনে সময়তে মন্ত্ৰী সভাৰ দুজন মন্ত্ৰীয়ে কৈছিল ''শিলচৰৰ মানুহখিনি বৰ ভাল, বৰ অমায়িক, আমি যাওতে একো হোৱা নাছিল কিন্তু মুখ্যমন্ত্ৰী যাওতে কিয় হ'ল ?''

(Opposition walked out).

শ্ৰীহেমেন দাস ঃ পুলিচৰ গুলিচালনাৰ পাচত অৱস্থা জটিল হ'ল। ৪ জন পুলিচ মৰিল। সেই কাৰণেই গুলিচালনাটো অপ্ৰাসঙ্গিক। এই সদনত আপোনাৰ প্ৰতি শ্ৰদ্ধা জনাই আমি এক মত হব নোৱাৰিলো, গতিকে সভাকক্ষ ত্যাগ কৰিলো।

## ANNOUNCEMENT FROM THE CHAIR

মাননীয় অধ্যক্ষ ঃ অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ২৩০ নং নিয়মৰ অধীনত ১৯৮৬ চনৰ ২৩ জুলাই তাৰিখে দিনৰ ১১ বজাত মোৰ কাৰ্য্যালয়ৰ কক্ষত এই আগষ্ট অধিবেশনৰ দিনপঞ্জী খন ঠিক কৰিবলৈ কাৰ্য্য উপদেষ্টা সমিতিৰ এখন বৈঠক আহ্বান কৰিছিলো। সমিতিয়ে আলোচনাৰ শেষত সিদ্ধান্ত কৰে যে এই চলিত আগষ্ট অধিবেশনৰ সভা ১৯৮৬ চনৰ ৪ আগষ্ট তাৰিখৰ পৰা আৰম্ভ হৈ ১৯৮৬ চনৰ ১২

আগষ্টলৈ চলিব। এই অধিবেশনৰ কাৰ্য্যকৰী দিন মুঠতে ৭ দিন হব আৰু তাৰে ৫ দিনত চৰকাৰী কাৰ্য্যসূচী আৰু ২ দিনত বে-চৰকাৰী সদস্যৰ কাৰ্য্যসূচী লোৱা হব। উক্ত ৫ দিন চৰকাৰী কাৰ্য্যসূচীৰ ৪ দিনত চৰকাৰী বিধেয়ক সমূহ বিবেচনা আৰু গৃহীতকৰণৰ বাবে লোৱা হব আৰু বাকী ১ দিনত অন্যান্য নিয়মীয়া কাৰ্য্যসূচী লোৱা হব।

এই দিনপঞ্জীৰ একোখনকৈ প্ৰতিলিপি সদনৰ মাননীয় সদস্য সকলৰ মাজত ইতিমধ্যে বিতৰণ কৰা হৈছে।

মই আশা কৰো যে ইয়াত সদনৰ সন্মতি আছে।

অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনাৰ নিয়মাৱলীৰ ৯(১) নং নিয়ম অনুসৰি মই ইয়াৰ দ্বাৰা নিম্ন উল্লেখিত সদস্য সকলক চলিত বিধান সভাৰ আগষ্ট অধিবেশনৰ কাৰণে সভাপতি সকলৰ নামসূচী গঠনৰ বাবে মনোনীত কৰিলো :

১। শ্ৰীদেৱ কুমাৰ বৰা
২। শ্ৰীচৰণ নাৰ্জাৰী
৩। শ্ৰীজয়নাথ শৰ্ম্মা
৪। শ্ৰীদীনবন্ধু চৌধুৰী

## LAYING OF ORDINANCE, REPORT ETC.

**Shri Sahidul Alam Choudhury (Minister) :** Hon'ble Speaker, Sir, I beg to lay the Gauhati Municipal Corporation ( Amendment ) Ordinance, 1986 (Assam Ordinance No. 1 of 1986).

**মাননীয় অধ্যক্ষ :** এতিয়া ৭ নং কাৰ্য্যসূচী শক্তি মন্ত্ৰী শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা।

**শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (মন্ত্ৰী) :** অসম ৰাজ্যিক বিদ্যুত পৰিষদৰ ১৯৮০-৮১ আৰু ১৯৮১-৮২ চনৰ বছৰ দুটাৰ কাৰণে বাৰ্ষিক প্ৰশাসনৰ প্ৰতিবেদন উত্থাপন কৰিলো।

কাৰ্য্যসূচী নং ৮ ঃ

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (মন্ত্ৰী) ঃ অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ ১৯৮৫-৮৬ চনৰ বছৰটোৰ বাৰ্ষিক বিত্তিয় প্ৰবিৱৰণী উথাপন কৰিলো।

কাৰ্যাসূচী নং ৯ ঃ

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (মন্ত্ৰী) ঃ অসম ৰাজ্যিক বিদ্যুত পৰিষদৰ ১৯৮১ ৮২ চনৰ হিচাপ সমূহৰ বাৰ্ষিক প্ৰবিৱৰণী উথাপন কৰিলো।

## MOTION FOR ELECTION

Shri Pradip Gogoi, (Minister) : Sir, I beg to move that this Assembly do elect three Members of the Assembly in accordance with the provision of Rule 242 of the Rules of Procedure and Conduct of Business in Assam Legislatative Assembly to the Committee on Public Accounts to fillup the vacancies caused by cessation of membership of Shri Abhijit Sarma. Shri Kamakhya Charan Choudhury and Shri Pabin Chandra Deka on their appointment as Ministers of State and Minister respectively under proviso to Rule 242 (1) of the Rules of procedure and Conduct of Business in Assam Legislative Assembly, the newly elected Members shall hold office for the remaining unexpired period of the term of the Committee.

Mr. Speaker : I put the Motion before the House This Assembly do elect three Members of the Assembly in accordiance with the provision of Rule 242 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly to the Committee on Public Accounts to fill up the vacancies caused by cessation of membership of Shri Abhijit Sarma, Shri Kamakhya Charan Choudhury and Shri Pabin Chandra Deka on their appointment as Ministers of State and Minister respectively under proviso to Rule 242 (1) of the Rules of Procedure and Conduct of Business in Assam

Legislative Assembly. Under Rule 194 (3) of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly, the newly elected Members shall hold office for the remaining unexpired period of the Committee.

The Motion is adopted.

Mr. Speaker: Now item No. 11.

Shri Pradip Gogoi, (Minister): Sir, I beg to move the following motion. That this Assembly do elect two Members of the Assembly in accordance with the provision of Rule 244 of the Rules of Procedure and Conduct of Business in Assam Legistative Assembly to the Committee on Estimates to fill up the vacancies caused by cessation of Chairmanship of Shri Samsing Hanse, Chairman, Committee on Estimates and membership of Shri Biraj Kumar Sarma on their appointment as Ministers under provison to Rule 244(1) of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly. Under Rule 194(3) of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly, the newly selected Member shall hold office for the remaining unexpired period of the term of the Committee.

Hon'ble Speaker: I put the Motion before the House. That this Assembly do elect two Members of the Assembly in accordance with the provision of Rule 244 of the Rules of Procedure and conduct of Business in Assam Legislative Assembly to the Committee on Estimates to fill up the vacancies caused by cessation of Chairmanship of Shri Samsing Hanse, Chairman, Committee on Estimates and membership of Shri Biraj Kumar Sarma on their appointment as Ministers under provjson to Rule 244(1) of the Rules of Procedure and Conduct of Business in Assam Lesislative Assambly. Under Rule 194(3) of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly, the newly

elected Member shall hold office for the remaining unexpired period of the term of the Committee. The Motion is adopted.

Mr. Speaker: Now item No. 12, Minister of State, Parliamentary Affairs to introduce.

Shri Pradip Gogoi, (Minister): Sir, I beg to move that this Assembly do elect three members of the Assembly in accordance with the provision of Rule 260 B of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly to the Committee on Public Undertakings to fill up the vacancies caused by cessation of Chairmanship of Shri Mayidul Islam Bora, Chairman Committee on Public Undertakings and membership of Shri Ramendra Narayan Kalita, Member of the said Committee respectively on their appointment as Ministers of State under proviso to Rule 260B(1) and due to resignation of membership of the Committee by Shri Holi Ram Terang member of the said Committee under Rule 197 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly. The newly elected Members' shall hold office for the remaining unexpired period of the term of the Committee.

Mr. Speaker: I, now put the Motion before the House. This Assembly do elect three members of the Assembly in accordance with the provision of Rule 260 B of the Rules of Procedure and Conduct of Business in Assam Legistative Assembly to the Committee on Public Undertakings to fill up the vacancies caused by cessation of Chairmanship of Shri Mayidul Islam Bora, Chairman, Committee on Public Undertakings and membership of Shri Ramendra Narayan Kalita, Member of the said Committae respectively on their appointment as Ministers of State under previso to Rule 260B (1) and due to resignation of membership of the Committee by Shri Holi Ram Terang, member of the said Committee under Rule 197 of the Rules of Procedure and Conduct

of Business in Assam Legislative Assembly. The newly elected Members' shall hold office for the remaining unexpired period of the term of the Committee.

The Motion is adopted.

Now Item No. 13, Shri Pradip Gogoi, Minister of State Parliamentary Affairs.

Shri Pradip Gogoi, (Minister of State) : Hon'ble Speaker Sir, I beg to move that this Assembly do elect one Member of the Assembly in accordance with the provision of Rule 260 D(1) of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly to the Committee on Welfare of Scheduled Castes Scheduled Tribes to fillup the vacancy caused by cessation of membership of Shri Umesh Chandra Das. Member of the Committee on Welfare of Scheduled Castes and Scheduled Tribes on his appointment as Minister of State under proviso to Rule 260 D(1). The newly elected member shall hold office for the remaining unexpirod period of the term of the Committee.

( The motion was put and adopted )

GOVERNMENT BILLS

Mr. Speaker : Now Item No. 14. Hon'ble Minister Municipal Administration. Shri Sahidul Alam Chaudhury.

Shri Sahidul Alam Choudhury (Minister) : Hon'ble Speaker Sir, I beg leave to introduce the Guwahati Municipal Corporation (Amendment) Bill, 1986.

Mr. Speaker : Is it the pleasure of House to grant leave to introduce the Bill ? ( voices 'yes' )

The leave is granted.

( Secretary read out the title of the Bill ).

Mr. Speaker : Now Item No. 15, : Hon'ble Minister, Municipal Administration.

Shri Sahidul Alam Choudhury (Minister) : Hon'ble Speaker Sir, I beg to lay a statement under Rule 69(1) of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly explaining the circumstances which had necessitated immediate legislation by ordinance.

Mr. Speaker : Now Item No. 16, Hon'ble Chief Minister, Shri Prafulla Kumar Mahanta.

Shri Prafulla Kumar Mahanta : Hon'ble Speaker Sir. I beg leave to introduce the Assam Finance (Sales Tax) (Amendment) Bill, 1986.

Mr. Speaker : Is it the pleasure of the House to grant leave to introduce the Bill. (voices 'Yes')

Leave is granted. Now, Hon'ble Chief Minister.

Shri Prafulla Kumar Mahanta : Hon'ble Speaker Sir, I beg to introduce the Assam Finance ( Sales Tax ) (Amendment) Bill, 1986.

(Secretary read out the title of the Bill).

Mr. Speaker : Now, Item No. 17, Hon'ble Chief Minister.

Shri Prafulla Kumar Mahanta : Hon'ble Speaker Sir, I beg leave to introduce the Assam (Sales of Petroleum and Petroleum Products, including Motor Spirit and Lubricants) Taxation (Amendment) Bill, 1986.

Mr. Speaker : Is it the pleasure of the House to grant leave to introduce the Bill. (Voices 'Yes')

So, the leave is granted.

There is a message from the Governor of Assam,

Shri Bhisma Narain Singh dt. July 26, 1986.

"Under the provision. of Article 207(1) of the Constitution of India, I Bhisma Narain Singh, Governor of Assam, recommend the introduction in the Assam Legislative Assembly of the Assam (Sales of Petroleum and Petroleum Products, including Motor Spirit and Lubricants) Taxation (Amendment) Bill, 1986."

Now Hon'ble Chief Minister to introduce the Bill.

Shri Prafulla Kumar Mahanta : Hon'ble Speaker Sir, I beg to introduce the Assam (Sales of Petroleum and Petroleum Products, including Motor Spirit and Lubricants) Taxation (Amendment) Bill, 1986.

(Secretary read out the title of the Bill).

Mr. Speaker : Now Item No. 18, Hon'ble Chief Minister.

Shri Prafulla Kumar Mahanta : Hon'ble Speaker Sir, I beg leave to introduce the Assam Rural Employment and Plantation Labour Welfare Bill, 1986.

Mr. Speaker : Is it the pleasure of the House to grant leave to introduce the Bill ? (Voices "yes')

So, the leave is granted.

There is a message from the Governor of Assam, Shri Bhisma Narain Singh, Dt. July 26, 1987, Camp : Raj Bhavan, Shillong.

"Under the Provision of Article 207 (I) of the Constitution of India. I Bhisma Narain Singh, Governor of Assam recomend the introduction in the Assam Legislative Assembly of the Assam Rural Employment and Plantation Labour Welfare Bill, 1986."

Now, Hon'ble Chief Minister to introduce.

Shri Prafulla Kumar Mahanta, (Chief Minister) : Hon'ble Speaker Sir. I beg to introduce the Assam Rural Employment and Plantation Labour Welfare Bill, 986

(Secretary read out the title of the Bill)

Mr. Speaker : Now Item No. 19, Shri Thaneswar Boro, Revenue Minister.

Shri Thaneswar Boro, (Minister, Revenue) : Hon'ble Speaker Sir, I beg leave to introduce the Assam Fixation of Ceiling on Land Holdings (Amendment) Bill, 1986.

Mr. Speaker : Is it the pleasure of the House to grant leave to introduce the Bill ? (Voices 'Yes')

So, the leave is granted, Minister to itroduce the Bill.

Shri Thaneswar Boro, (Minister, Revenue) : Hon'ble Speaker Sir, I beg to introduce the Assam Fixation of Ceiling on Land Holdings (Amendment) Bill, 1986.

(Secretary read out the title of the Bill)

Mr. Speaker : Now Items No. 20, Hon'ble Revenue Minister.

Shri Thaneswar Boro, (Minister, Revenue) : Hon'ble Speaker Sir. I beg leave to introduce the Assam Land Revenue Re-assessment (Amendment) Bill, 986.

Mr. Speaker : Is it the pleasure of the House to grant leave to introduce the Bill ?

(Voices 'Yes')

So, the leave is granted, Minister to introduce the Bill.

Shri Thaneswar Boro, (Minister, Revenue) : Hon'ble Speaker Sir, I beg to introduce the Assam Land Revenue Re-assessment (Amendment) Bill, 1986.

(Secretary read out the title of the Bill.)

Mr. Speaker : Now Item No. 21, Minister, Revenue

Shri Thaneswar Boro, (Minister, Revenue): Hon'ble Speaker Sir, I beg leave to introduce the Assam Urban Areas Rent Control (Amendment) Bill, 1986.

Mr. Speaker : Is it the pleasure of the House to grant leave to introduce the Bill ?

(Voices 'Yes')

So, the leave is granted, Minister to introduce the Bill.

Shri Thaneswar Boro, (Minister, Revenue) : Hon'ble Speaker, Sir, I beg to introduce the Assam Urban Areas Rent Control (Amendment) Bill, 1986.

(Secretary read out the title of the Bill).

Shri Barki Prasad Telenga, (Minister) : Mr. Speaker, Sir, I beg leave of the House to introduce the Assam Physically Handicapped Persons (Employment in Factories) Bill, 1986.

Mr. Speaker : Is it the pleasure of the House to grant leave to introduce the Bill ? (Voices : Yes) Leave is granted and the Minister to introduce the Bill.

Shri Barki Prasad Telenga, (Minister) : Sir, I beg to introduce the Assam Physically Handicapped (Employment in Factories) Bill, 1986.

(Secretary read out the title of the Bill)

## OBITUARY REFERENCE

মাননীয় অধ্যক্ষ ঃ স্বৰ্গীয় দণ্ডেশ্বৰ হাজৰীকা, শৰৎ চন্দ্ৰ গোস্বামী, পূৰ্ণ চন্দ্ৰ শৰ্মা, লক্ষেশ্বৰ দাস, জগজীবন ৰাম, অতুল চন্দ্ৰ হাজৰীকা, আৰু চন্দ্ৰ শেখৰ সিং, কে এল ৰাও, টেন্‌জিং নৰ্কেৰ কৰুণ বিয়োগত শোক প্ৰকাশ কৰিবৰ বাবে মই থিয় হৈছো।

অসম বিধান সভাৰ প্ৰাক্তন উপাধ্যক্ষ শ্ৰীদণ্ডেশ্বৰ হাজৰীকা এজন আগশাৰীৰ নেতা আছিল। ১৯৪৬, ১৯৫৭ আৰু ১৯৬২ চনত তেখেতে দক্ষিন গোলাঘাট সমষ্টিৰ পৰা অসম বিধান সভালৈ সদস্যৰূপে নিৰ্ব্বাচিত হৈছিল আৰু ১৯৬২ চনৰ পৰা অসম বিধান সভাৰ উপাধ্যক্ষ পদত আছিল্। তেখেতে গোলাঘাট উকীল সন্থাৰ সভাপতি, গোলাঘাট শাখা সাহিত্য সভাৰ সভাপতি, দেৱৰাজ ৰয় মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি, গোলাঘাট পৌৰ সভাৰ সদস্যৰূপে সামাজিক আৰু সাংগঠনিক কামত অগ্ৰনী ভূমিকা লৈছিল। ৮৩ বছৰ বয়সত গোলাঘাটৰ আঠগাৱৰ নিজা ঘৰত ১৯৮৬ চনৰ ৬ মে' তাৰিখে তেখেত স্বৰ্গগামী হয়।

অসম বিধান সভাৰ প্ৰাক্তন সদস্য আৰু গুৱাহাটী সন্দিকৈ ছোৱালী মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ গুৱাহাটী বিশ্ব বিদ্যালয়ৰ প্ৰাক্তন কোষাধ্যক্ষ, অসম বিদ্যুৎ বৰ্ডৰ প্ৰাক্তন সভাপতি, শিক্ষাবিদ আৰু সুদক্ষ লিখক শ্ৰীশৰৎ চন্দ্ৰ গোস্বামী সকলোৰে পৰিচিত এজন বিশিষ্ট ব্যাক্তি। ১৯৫৭ আৰু ১৯৬২ চনত তেখেত কমলপুৰ সমষ্টিৰ পৰা অসম বিধান সভাৰ সদস্যৰূপে নিৰ্ব্বাচিত হৈছিল। বিধান সভাৰ সদস্য হিচাবে তেখেতে উল্লেখযোগ্য বৰঙণি দি থৈ গ'ল। ইতিমধ্যে প্ৰকাশ পোৱা কেবাখনো কিতাপৰ উপৰিও অসমীয়া পৰিভাষা এখন লিখা থকা অৱস্থাতে ৭২ বছৰ বয়সত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত ১৯৮৬ চনৰ ১৬ এপ্ৰিলৰ দিনা তেখেতে নশ্বৰ দেহ ত্যাগ কৰে।

প্ৰবন মুক্তি যুজাৰু ৰাজ্য সভা আৰু অসম বিধান সভাৰ প্ৰাক্তন সদস্য, অসম কংগ্ৰেছ বিধায়নি দলৰ মুখ্য সচেতক, সাতদিনীয়া গণতন্ত্ৰ কাকতৰ প্ৰতিস্থাতা সম্পাদক শ্ৰীপূৰ্ণ চন্দ্ৰ শৰ্মা এজন খ্যাতনামা ৰাজনীতিবিদ আছিল। ১৯০০ চনৰ ৬ অক্টোবৰত তেখেতে জন্ম গ্ৰহণ কৰিছিল। কলিকতা বিশ্ববিদ্যালয়ৰ পৰা সংস্কৃতত সন্মান সহ স্নাতক ডিগ্ৰী লাভ কৰি ১৯২১-১৯৪৫ চনলৈকে অসহযোগ আন্দোলনত যোগ দি তেখেতে কেবাবাৰো কাৰাবাস খাটিছিল। ইয়াৰ উপৰি ১৯৩৭ চনৰ পৰা ১৯৫১ চনলৈ তেখেতে অসম বিধান সভাৰ এজন নিৰ্বাচিত সদস্য আছিল। তেখেতে মৃত্যুৰ আগমুহূৰ্ত্তলৈ অসমীয়া সাতদিনীয়া গণতন্ত্ৰ কাকত খন সম্পাদনা কৰি আছিল। ১৯৮৬ চনৰ ৯ জুলাই তাৰিখে ৮৬ বছৰ বয়সত এই খ্যাতনামা ব্যক্তিজনৰ পৰলোক হয়।

অসম বিধান সভাৰ প্ৰাক্তন সদস্য আৰু সমাজ সেৱক শ্ৰীলক্ষেশ্বৰ দাসে ১৯৩১ চনৰ ১৪ আগষ্ট তাৰিখে জন্মগ্ৰহণ কৰিছিল। তেখেত এজন সৰবৰহী সমাজ সেৱক আছিল। ১৯৬৭ চনত তেখেতে বোকাখাট সমষ্টিৰ পৰা অসম বিধান সভালৈ নিৰ্ব্বাচিত হৈছিল। ৫৮ বছৰ বয়সত ১৯৮৬ চনৰ ২০ জুনৰ দিনা এখেতৰ মৃত্যু হয়।

ভাৰতৰ প্ৰাক্তন উপ-প্ৰধান মন্ত্ৰী, আগশাৰীৰ মুক্তি যোদ্ধা, ভাৰতৰ সংবিধান সভাৰ জ্যেষ্ঠ সদস্য, কংগ্ৰেছ (জে) ৰ সভাপতি, বিচক্ষন ৰাজনীতিবিদ সুদক্ষ প্ৰশাসক, হৰিজন আৰু দলিত জনগণৰ প্ৰবক্তা বাবু জগজীৱন ৰাম ভাৰত তথা বিশ্বৰ এজন আগশাৰীৰ দেশনেতা আছিল। বিহাৰৰ ভোজপুৰ জিলাৰ অন্তৰ্গত চান্দৱা গাওঁত ১৯০৮ চনৰ ৫ এপ্ৰিলৰ দিনা বাবু জগজীৱন ৰামে জন্ম গ্ৰহন কৰে। জীৱন সংগ্ৰাম, নিৰ্য্যাতিত আৰু শ্ৰমিকৰ বন্ধু, অস্পৃশ্যতা দূৰীকৰণ আৰু দৰিদ্ৰতা মোচন কৰাৰ উদ্দেশ্য আগত লৈ তেখেতে ১৯৩৩ চনত হৰিজন সেৱা সংঘ, ১৯৩৭ চনত বিহাৰৰ "প্ৰভিন্সিয়েল ক্ষেত মজদুৰ" সভা আদি সংগঠন গঠন কৰিছিল আৰু প্ৰায়বোৰবে মুৰব্বী আছিল। ১৯৩৭ চনত বিহাৰ বিধান সভালৈ সদস্যৰূপে নিৰ্ব্বাচিত হৈ সংসদীয় সচিব হিচাবে কাৰ্যনিৰ্ব্বাহ কৰিছিল। ভাৰত ত্যাগ আন্দোলনত অগ্ৰনী ভুমিকা লৈ ১৯৪০ ১৯৪৩ চনলৈ কাৰাবাস খটা এই মহান নেতাই ১৯৪৭ চনত ভাৰতীয় শ্ৰমিক প্ৰতিনিধি দলৰ নেতা ৰূপে জেনেভাত বিশ্বশ্ৰমিক সন্মিলনত যোগদান কৰিছিল।

১৯৫২ চনৰ পৰা ১৯৮৪ চনলৈ হোৱা নিৰ্ব্বাচনত একেৰাহে ডেৰকুৰি বছৰতো অধিক কাল বিহাৰৰ চাচাৰাম সমষ্টিৰ পৰা মৃত্যুৰ সময়লৈকে তেখেত লোকসভাৰ সদস্য নিৰ্ব্বাচিত হৈ আছিল। প্ৰাক্ স্বাধীন কালতে গঠিত হোৱা কংগ্ৰেছৰ আমোলৰ দিনৰে পৰা ১৯৭৯ চনৰ শেষ ভাগলৈ ভাৰতৰ মন্ত্ৰী সভাৰ এজন বিচক্ষণ মন্ত্ৰী হৈ থাকি তেখেতে সুনিপুণ ৰাজনৈতিক আৰু সুদক্ষ প্ৰশাসকৰূপে উজ্জ্বল উদাহৰণ ৰাখি থৈ গৈছে। কামৰাজ আচনি অনুসৰি সাংগঠনিক কাৰণত তেওঁ মাত্ৰ আঢ়ৈ বছৰতকৈও কম সময়হে মন্ত্ৰীত্বৰ দায়িত্বত নাছিল। ১৯৭৭ চনত পৰা তেখেতে দল সলনি কৰে আৰু জনতা মন্ত্ৰী সভাৰ কাল ছোৱাত তেখেত উপ প্ৰধান মন্ত্ৰী হৈছিল। মৃত্যুৰ সময়ত বাবুজী নিজে গঠন কৰা কংগ্ৰেছ (জে) ৰ সভাপতি পদত আছিল। ১৯৮৬ চনৰ ৬ জুলাই তাৰিখে বাবুজী দিল্লীৰ

ৰামমনোহৰ লোহীয়া হাস্পতালত ৭৮ বছৰ বয়সত ইহলীলা সম্বৰণ কৰে। তেখেতৰ মৃত্যুত ভাৰতে এজন বিচক্ষণ ৰাজনীতিজ্ঞ আৰু সুদক্ষ প্ৰশাসকক হেৰুৱালে।

বিহাৰৰ প্ৰাক্তন মুখ্য মন্ত্ৰী আৰু ভাৰতৰ ৰাজ্যিক মন্ত্ৰী শ্ৰীচন্দ্ৰ চেখৰ সিং এজন তীক্ষ্ণ মেধাবী, মুক্তি যুজাৰু আৰু সমাজ কৰ্মী আছিল। তেখেত বিহাৰৰ মালয়পুৰত ১৯২৭ চনৰ ১৭ আগষ্টত জন্ম গ্ৰহণ কৰিছিল। ১৯৫২ চনৰ পৰা বিহাৰ বিধান সভাৰ সদস্য নিৰ্ব্বাচিত হৈ ১৯৬৯ চনত মন্ত্ৰী আৰু ১৯৮৩ চনত তেখেত বিহাৰৰ মুখ্য মন্ত্ৰীও হৈছিল। মৃত্যুৰ সময়ত শ্ৰীসিং কেন্দ্ৰীয় মন্ত্ৰী সভাৰ পেট্ৰোলিয়াম বিভাগৰ ৰাজ্যিক মন্ত্ৰী আছিল। তেখেতৰ যোৱা জুলাই মাহৰ ৯ তাৰিখে ৬০ বছৰ বয়সত দিল্লীত মৃত্যু হয়।

প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী, সুনিপুন অভিযন্তা আৰু বিখ্যাত লিখক ডঃ কে, এল, ৰাও ১৯৬৩ চনৰ পৰা ১৯৭৩ চনলৈ কেন্দ্ৰীয় মন্ত্ৰী ৰূপে কাৰ্য্য নিৰ্ব্বাহ কৰিছিল। প্ৰখ্যাত নাগাৰ্জুনেশ্বৰ বান্ধ, উৰিষ্যাৰ হীৰাকুট বান্ধ আদিত সুনিপুন অভিযন্তা ৰূপে জৰিত আছিল। তেখেতে লিখা 'কেল্‌কুলেটেড্ ডিজাইন এণ্ড টেষ্টিং অব ৰিইনফোৰ্চড কংক্ৰিট' নামৰ কিতাপখন কেবাখনো বিশ্ববিদ্যালয়ে পাঠ্য পুথি ৰূপে প্ৰচলন কৰি আছে। ৮৪ বছৰ বয়সত যোৱা ১৮ মে ১৯৮৬ চনত তেখেতৰ মৃত্যু হয়।

অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, সাহিত্যাচাৰ্য্য, সাহিত্য একাদেমী বটা বিজয়ী, পদ্মশ্ৰী, সাহিত্যিক নাট্যকাৰ, কবি, অনুবাদক, শিক্ষাবিদ শ্ৰীঅতুল চন্দ্ৰ হাজৰিকা আমাৰ সকলোৰে পৰিচিত। মঞ্চলেখা তেখেতৰ অসমীয়া সাহিত্যলৈ অমূল্য অবদান আৰু অসমীয়া ভাষা তেখেতেই বহু সংখ্যক পুথি ৰচনা কৰি গৈছে। ৮৩ বছৰ বয়সত এই খ্যাতনামা অসমীয়া সেবী শ্ৰীঅতুল চন্দ্ৰ হাজৰিকা ১৯৮৬ চনৰ ৭ জুনৰ দিনা ঢুকায়। তেখেতৰ মৃত্যুত আমি এজন প্ৰবীন আগশাৰীৰ সাহিত্যিকক হেৰুৱালো।

১৯৫৩ চনৰ ২৯ মেত পৃথিবীৰ আটাইতকৈ ওখ এভাৰেষ্ট শৃঙ্গ আৰোহন কৰি বিশ্বৰ গৌৰৱ অৰ্জন কৰা শ্ৰীচেৰ্পা টেনজিং নৰ্কে পৰ্ব্বত আৰোহন

বিষয়ত পদ্মশ্ৰী, পদ্মভূষণ আৰু অৰ্জুন বটা লাভ কৰিছিল। ৭২ বছৰ বয়সত যোৱা ৬ মে' ১৯৮৬ তাৰিখে এখেতৰ মৃত্যু হয়।

এই খ্যাতানামা ব্যক্তি সকলৰ বৈদেহী আত্মাৰ চিৰশান্তিৰ কাৰণে থিয় হৈ আমি দুই মিনিট সময় মৌনতা অৱলম্বন কৰোহক।

(২ মিনিট মৌন প্ৰাৰ্থনা)

সদন কালিলৈ পুৱা ১০ বজালৈ স্থগিত

ADJOURNMENT

The House then rose and stood adjourned till 10 A. M. on 5th August, 1986.

DISPUR :

The 4th August, 1986

DR. P. N. HAZARIKA
Secretary,
Assam Legislative Assembly.